ভিতৰৰ পৃষ্ঠাত
৩ পৃষ্ঠাত ঃ
স্বামী বিবেকানন্দ দেৱৰ দৃষ্টিত ধৰ্ম
বালিপৰাত কৃষক-শ্ৰমিকৰ যৌথ প্ৰতিবাদী আন্দোলন

# গণশক্তি

সাপ্তাহিক বাতৰি কাকত

ভিতৰৰ পৃষ্ঠাত
৭ পৃষ্ঠাত ঃ
জীৱন বীমা শিল্প জাতীয়কৰণ দিৱস পালন

✸ একছল্লিশ বছৰ ✸ ১৯তম সংখ্যা ✸ শুক্ৰবাৰ ✸ ২৬ জানুৱাৰী, ২০১৮ চন ✸ গুৱাহাটী ✸ দাম ঃ ৫.০০ টকা

## প্ৰয়োজন এক বিকল্প কৰ্মসূচী— বিকল্প আন্দোলন

■ সুপ্ৰকাশ তালুকদাৰ

অসমত বিজেপিয়ে নিগাজীভাৱে শাসন ক্ষমতা দখল কৰি ৰাখিব পৰাটো ইমান সহজ নহয়। অসমৰ মানুহৰ মানসিকতা, ধ্যান-ধাৰণা, জনগাঁথনি—এইবোৰে বিজেপিৰ বাবে উপাদেয় বুলি ক'ব নোৱাৰি। বিজেপিৰ নিয়ন্ত্ৰক আৰ এছ এছে ভাৰতীয়সকলক একৰূপী (monolithic) কৰিব বিচাৰে।

৬ পৃষ্ঠাত চাওক...

## সংগ্ৰামী সতীৰ্থ বিপিন হাজৰিকা

হেমেন দাস

মোৰ অগ্ৰজ সতীৰ্থ অচিন্ত্য ভট্টাচাৰ্য, নন্দেশ্বৰ তালুকদাৰ, গোপেন ৰায়, বীৰেশ মিশ্ৰ, সুৰেশ হাজৰিকা, সুকুমাৰ চক্ৰৱৰ্তী আদি বহুতো নমস্যক বিগতকেইটামান বছৰত হেৰুৱালো। তেওঁলোক আজিও মোৰ মানসপটত ৰৈ আছে। তেওঁলোকৰ সান্নিধ্যতে মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শ অসমৰ মাটিত ৰোপিত কৰাৰ কামত ব্ৰতী হৈছিলো। সময়ে সময়ে পাৰ্টিৰ জীৱনলৈ নামি অহা বিপৰ্যয়ৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম কৰি অসমৰ মাটিত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ ভেটি স্থাপনৰ কাম কৰিছিলো। এই কাম তথা সংগ্ৰামৰ জৰিয়তে পাৰ্টিলৈ অহা এচাম ব্যক্তিগত স্বাৰ্থত্যাগী সংগ্ৰামী সতীৰ্থৰ সংস্পৰ্শলৈ আহো। তেওঁলোক মোৰ অনুজ সতীৰ্থ। কোনো এজন অনুজ সতীৰ্থক হেৰুৱাই

৫ পৃষ্ঠাত চাওক...

## ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)

# দ্বাবিংশতিতম অসম ৰাজ্যিক সন্মিলন

৪, ৫ আৰু ৬ ফেব্ৰুৱাৰী, ২০১৮ ঃ গুৱাহাটী

## ৪ ফেব্ৰুৱাৰী, ২০১৮

# মুকলি সমাৱেশ

## সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ

## দিনৰ ১১ বজাৰ পৰা


CPI(M)
22 nd ASSAM STATE CONFERENCE

বক্তা

**মানিক সৰকাৰ,** মুখ্যমন্ত্ৰী, ত্ৰিপুৰা

**বিমান বসু,** পলিটব্যুৰ' সদস্য, চি পি আই (এম)

**এছ আৰ পিল্লাই,** পলিটব্যুৰ' সদস্য, চি পি আই (এম)

**আৰু ৰাজ্যিক নেতৃত্ব**

**আহক, আমি সকলোৱে মিলি এই সমাৱেশ সফল কৰি তোলো।**

# কাশ্মীৰ ঃ অতীত বৰ্তমান ভৱিষ্যৎ



(যোৱা সংখ্যাৰ পাছৰ পৰা)

▫ শ্যামল চক্ৰৱৰ্তী
অনুবাদ ঃ গোপীনাথ শৰ্মা

**পাকিস্তান ঃ ৰাজনৈতিক আৰু অৰ্থনৈতিক গতি-প্ৰগতি**

পাকিস্তানৰ সৃষ্টি হোৱাৰে পৰা বিগত পাঁচ দশক ধৰি দেশখনৰ শাসক, সেনাবাহিনী আৰু ধৰ্মীয় মৌলবাদীসকলে প্ৰায় হাতত ধৰাধৰি কৰি চলি আহিছে। মাজে মাজে কিছু সংস্কাৰৰ চেষ্টা চলিছে যদিও দেশখনৰ মৌলবাদে ক্ৰমশঃ শক্তি সঞ্চয় কৰি আহিছে। প্ৰশাসনেও ইয়াৰ লগত হাত মিলাই চলিছে। দুই-তিনিজনৰ বাদে সকলো প্ৰশাসকেই মৌলবাদীসকলৰ সহায় লৈ আহিছে। বাৰে বাৰে দীৰ্ঘদিনৰ বাবে সেনাবাহিনীৰ হাতত ক্ষমতা থকা বাবে দেশখনত গণতান্ত্ৰিক পৰিৱেশ বিঘ্নিত হৈছে। অৱশ্যে এইটো ক'ব লাগিব যে স্বাধীনতাৰ পাঁচ দশকৰ পিছত ভাৰততো মৌলবাদৰ আশ্ৰয়ত এটা ৰাজনৈতিক দলে দেশৰ ক্ষমতাত বহিছে।

পাকিস্তান গঠনৰ ১৩ মাহৰ পাছত মহম্মদ আলী জিন্নাৰ মৃত্যু হয়। পাকিস্তানৰ নতুন নেতাসকলৰ ভিতৰত বহুকেইজন আইনজীৱী আছিল। আইন সভা সম্পৰ্কে তেওঁলোকৰ বাধ্যবাধকতা আছিল। ইছলাম ৰাষ্ট্ৰৰ ধাৰণাৰ ভিত্তিত তেওঁলোকে জিন্নাৰ সমৰ্থক হোৱা নাছিল। কংগ্ৰেছক তেওঁলোকে হিন্দু প্ৰাধান্যৰ লগত একাকাৰ কৰিছিল। ইছলাম সম্পৰ্কেও তেওঁলোকৰ মনোভাৱ ভিন ভিন ধৰণৰ। কোনো কোনোৰ মতে ই এটা মূল্যবোধ (ethic)। ই কোনো আধুনিক আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰৰ পৰিচালনাৰ ভিত্তি হ'ব নোৱাৰে। কোনো কোনোৰ মতে ই আছিল এটা ট্ৰেডিচন— তেওঁলোকৰ পূৰ্বপুৰুষসকলে যি পৰিগাঁঠনিৰ মাজেৰে দেশ শাসন কৰিছিল। এনে কিছু গোষ্ঠীও আছিল যিসকলৰ মনত ইছলাম হ'ল জীৱন যাপনৰ পদ্ধতি (way of life)। তেওঁলোকে পাকিস্তানক এখন ধৰ্মীয় ৰাষ্ট্ৰত পৰিণত কৰিব বিচাৰিছিল।

জিন্নাৰ মৃত্যুৰ পাছত লেফটেনেন্ট লিয়াকৎ আলী খানৰ হাতলৈ শাসন ক্ষমতা যায়। ব্যক্তি হিচাপে তেওঁলোকে উদাৰপন্থী আছিল। তেওঁ আইন সভা গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ পক্ষপাতী আছিল। কিন্তু তেওঁ আছিল সেই সময়ৰ ভাৰতবৰ্ষৰ মুক্ত প্ৰদেশৰ পৰা যোৱা উদ্বাস্তু। সেয়েহে তেওঁৰ পশ্চিম পাকিস্তান বা পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) ওপৰত কোনো স্থানীয় প্ৰভাৱ নাছিল। ক্ষমতা ধৰি ৰাখিবলৈ তেওঁ মোল্লা উলেমা সকলৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়। তেওঁ পাকিস্তানৰ সংবিধানৰ উদ্দেশ্য আৰু কাৰ্যক্ৰমত এটি প্ৰস্তাৱ আনে যাৰ আৰম্ভণিতে কোৱা হয়— সৰ্বশক্তিমান আল্লাই দুনিয়াৰ একমাত্ৰ অধীশ্বৰ (Sovereingty over the entire universe to Allah Almighty alone) তেওঁ ইছলামৰ সূত্ৰবোৰৰ ওপৰতে জোৰ দিব ধৰিলে।

১৯৫১ চনত লিয়াকৎ আলীক হত্যা কৰা হয়। তাৰ পাছত প্ৰধানমন্ত্ৰী হয় ঢাকাৰ নবাব বংশৰ খাজা নাজিমুদ্দিন। নাজিমুদ্দিনে জিন্নাক অনুসৰণ কৰি অন্তৰ্বৰ্তী সংবিধান (প্ৰকৃতপক্ষে ১৯৩৫ চনৰ বাৰত চৰকাৰ আইন) মতে দেশ চলাবলৈ চেষ্টা কৰে। কিন্তু প্ৰতিৰক্ষা বিভাগৰ সচিব (গোলাম মহম্মদে আইন সভাৰ সমৰ্থনত খাজা নাজিমুদ্দিনক অপসাৰিত কৰে। নতুন প্ৰধানমন্ত্ৰী হয় মহম্মদ আলী বোগৰা। তেওঁৰ পাছত প্ৰধানমন্ত্ৰী হয় চৌধুৰী মহম্মদ আলী। তেওঁ এখন সংবিধান তৈয়াৰ কৰিবলৈ সক্ষম হয় (১৫৫৬ চনত। নতুন সংবিধান অনুসৰি পাকিস্তান ইছলামী গণতন্ত্ৰ হিচাপে ঘোষিত হয়। কিন্তু চৌধুৰী মহম্মদ আলীয়েও সংখ্যাধিক্যতা হেৰুৱাই পদত্যাগ কৰে। মেজৰ জেনেৰেল ইস্কান্দাৰ মিৰ্জা ৰাষ্ট্ৰপতি হয়।

জেনেৰেল ইস্কান্দাৰ মিৰ্জাই ১৯৫৮ চনৰ ৭ অক্টোবৰ তাৰিখে সকলোবোৰ ৰাজনৈতিক দলকে নিষিদ্ধ কৰিলে। সংবিধান বাতিল হ'ল আৰু মাৰ্চাল ল' জাৰি হ'ল। জেনেৰেল আয়ুব খান প্ৰধানমন্ত্ৰী হিচাপে নিযুক্ত হ'ল। ইয়াৰ পাছতেই ইস্কান্দাৰ মিৰ্জাক পদচ্যুত কৰি আয়ুবখানে নিজকে ৰাষ্ট্ৰপতি হিচাপে ঘোষণা কৰিলে। দেশখনত প্ৰায় চাৰে তিনি বছৰ মাৰ্চাল ল'ৰ কবলত থাকিল। এইবাৰ ৰাষ্ট্ৰপতি আয়ুব খানে উত্থাপন কৰিলে 'বেছিক ডেমোক্ৰেচী'ৰ তত্ব। বেছিক ডেমোক্ৰেচীত ভোটদাতাৰ সংখ্যা আছিল গোটেই দেশতে ৮০,০০০জন। এইসকলৰ ৭৫,২৮৩ জনে আয়ুবখানৰ পক্ষত ভোট দিয়ে আৰু তেওঁক নতুন সংবিধান তৈয়াৰ কৰাৰ দায়িত্ব দিয়ে (ফেব্ৰুৱাৰী ১৯৬০)।

আয়ুব খানৰ শাসনৰ আৰম্ভণীতে কিছু সংস্কাৰ অনা হৈছিল। তাৰ ভিতৰত আছিল 'মুছলিম ফেমিলি ল অৰ্ডিনেন্স (১৯৬১)। যাৰ দ্বাৰা বহু বিবাহ নিষিদ্ধ কৰা হৈছিল। পিছলৈ ক্ষমতাত তিকি থাকিবলৈ তেওঁ মৌলবাদীসকলৰ কিছু কিছু দাবী মানি ল'বলৈ ধৰে। ১৯৬৫ চনত ভাৰত-পাকিস্তান যুঁজত পৰাজয়ৰ পাছত তেওঁ অধিক স্বৈৰতন্ত্ৰী হৈ উঠে। অৱশ্যে প্ৰচণ্ড বিদ্ৰোহৰ ফলত ১৯৬৮ চনত জৰুৰী অৱস্থা প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। ১৯৬৯ চনৰ ২৫ মাৰ্চৰ দিনা কামাণ্ডাৰ ইন-চীফ আগা মহম্মদ ইয়াহিয়া খানৰ হাতত ক্ষমতা তুলি দি তেওঁ পদত্যাগ কৰে। ইয়াহিয়া খানে পুনৰ মাৰ্চাল ল জাৰি কৰি নিজেক ৰাষ্ট্ৰপতি আৰু প্ৰধান মাৰ্চাল ল প্ৰশাসক হিচাপে ঘোষণা কৰে। ১৯৭০ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হয় সাধাৰণ নিৰ্বাচন।

ইতিমধ্যে বাংলাদেশ স্বাধীন হয়। ভাৰতৰ লগত হোৱা যুদ্ধত পাকিস্তান পৰাজিত হয়। ১৯৭১ চনৰ ২০ ডিচেম্বৰত ইয়াহিয়া খানে পদত্যাগ কৰাত জুলফিকৰ আলী ভুট্টো ক্ষমতালৈ আহে। তেওঁ 'ইছলামী সমাজতন্ত্ৰ'ৰ তত্ব ঘোষণা কৰে। ১৯৭৩ চনৰ ১০ এপ্ৰিলত নতুন সংবিধান গৃহীত হয়। ভুট্টো পাকিস্তানৰ প্ৰধানমন্ত্ৰী হয়। ১৯৭৭ চনৰ ৪ জানুৱাৰীত নিৰ্বাচন হয়। লক্ষণীয় বিষয় এই যে এই নিৰ্বাচনত সকলো বিৰোধী দল একত্ৰিত হৈ ইছলামী জীৱন যাপন পদ্ধতি (Islamic Day of life)ৰ শ্লোগান দি নিৰ্বাচনত অংশগ্ৰহণ কৰে যদিও এওঁলোক পৰাজিত হয়। কিন্তু এই বিৰোধী দলবোৰে পি এন এ (Pakistan National Alliance) গঠন কৰে। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু কৰাচি এই দুখন প্ৰদেশত এওঁলোকৰ স্থিতি শক্তিশালী ৰূপে থাকি যায়। পি এন এয়ে নিৰ্বাচনক জাল আখ্যা দিয়ে। প্ৰচণ্ড বিক্ষোভে দেখা দিয়ে। ভুট্টোৱে মাৰ্চাল ল জাৰি কৰে। পি এন এৰ নেতাসকলক গ্ৰেপ্তাৰ কৰা হয়। ধৰ্মীয় নেতাসকলে ভুট্টোক বে-আইনী শাসক আখ্যা দি এই বুলিও ঘোষণা কৰে যে ভুট্টোক হত্যা কৰিলে কোনো অপৰাধ নহ'ব। ইয়াৰ পাছত ৫ জুলাই তাৰিখে সেনাপ্ৰধান মহম্মদ জিয়া-উল-হ'কে নিজকে মাৰ্চাল লৰ প্ৰধান প্ৰশাসক হিচাপে ঘোষণা কৰে। ছেপ্টেম্বৰত ভুট্টোক গ্ৰেপ্তাৰ কৰা হয়। ১৯৭৯ চনৰ ৪ এপ্ৰিলত তেওঁৰ ফাঁচি হয়।

কিন্তু মৌলবাদীসকল চুপ হৈ নেথাকিল। ইছলামী কোড অফ ল আৰম্ভ কৰাৰ দাবী উঠিল। কট্টৰ ইছলামী আইন অনুযায়ী জিয়া-উল-হ'কে চাবুক মাৰা, অংগচ্ছেদ কৰা আদি শাস্তি প্ৰবৰ্তন কৰিলে। ১৯৭৯ চনত এনে শাস্তি আইনী ব্যৱস্থা হিচাপে স্বীকৃতি পায়। ১৯৭৮ চনৰ ১৬ ছেপ্টেম্বৰত জিয়া-উল-হকে নিজকে পাকিস্তানৰ ৰাষ্ট্ৰপতি হিচাপে ঘোষণা কৰে।

জিয়া-উল-হক এটি বিমান দুৰ্ঘটনাত নিহত (হত্যা?) হয়। ইয়াৰ পাছৰে পৰা বেনজিৰ ভুট্টো (জুলফিকৰ আলী ভুট্টোৰ জীয়ৰী) আৰু নৱাজ শ্বৰীফ দেশখনৰ প্ৰধানমন্ত্ৰী হৈছিল। কোনো কোনো সময়ত দেশখনত গণতান্ত্ৰিক ব্যৱস্থা প্ৰৱৰ্তিত হ'লেও চৰকাৰৰ ওপৰত সামৰিক বাহিনী আৰু মৌলবাদীসকলৰ প্ৰচণ্ড হেঁচা সদায় পৰিলক্ষিত হয়। যি চৰকাৰেই ক্ষমতালৈ নাহক কিয় ক্ষমতাত তিষ্ঠি থাকিবলৈ এওঁলোকক সদায় সন্তুষ্ট ৰাখিবলগীয়া হয়।

**পাকিস্তানৰ কৌশল পৰিৱৰ্তন**

১৯৭১ চনত ভাৰতৰ হাতত যুদ্ধত পৰাস্ত হোৱা আৰু পূব-পাকিস্তান (বৰ্তমানৰ বাংলাদেশ) হেৰুওৱাৰ ফলত পাকিস্তানে নতুন কৌশল অৱলম্বন কৰে। দেশখনে তিনিবিধ গুৰুত্বপূৰ্ণ পণ্যৰ ভিতৰত চাহ আৰু মৰাপাট হেৰুওৱাবলগাত পৰে। সেইবাবে তেওঁলোক দৰ্কাৰ হ'ল নতুন পণ্য আৰু নতুন বজাৰৰ। ভৌগোলিক দিশৰ পৰা দক্ষিণ এছিয়াৰ অংশ হ'লেও দেশখন পশ্চিম এছিয়াৰ ইছলামীয় বিশ্বৰ লগত বন্ধুত্ব গঢ়ি তোলে। এই দেশবোৰলৈ ফল আৰু তাৰি-তৰকাৰি ৰপ্তানি আৰম্ভ হ'ল। সামৰিক বাহিনীয়ে এই দেশবোৰৰ সেনাবাহিনীক প্ৰশিক্ষণ দিয়াৰ কাম পালে। শ্ৰম শক্তি আৰু কাৰিকৰীভাৱে দক্ষ মানৱ সম্পদৰ ৰপ্তানি আৰম্ভ হ'ল। বিনিময়ত আহিল পেট্ৰ'-ডলাৰ আৰু লগতে নতুন ধৰণৰ কাৰ্যকৰী 'পণ্য' পেট্ৰ'-ইছলাম। মাটিৰ তলৰ তেল আৰু মাটিৰ ওপৰৰ ধৰ্মীয় সামাজিক ৰক্ষণশীলতা মিলি হৈছেগৈ পেট্ৰ'-ইছলাম। তাৰ লগতে প্ৰাক্তন ঔপনিৱেশিক দেশবোৰৰ ভিতৰত পাকিস্তানেই প্ৰথম আমেৰিকা আৰু চীনক মিত্ৰদেশ হিচাপে পালে। ভুট্টোই বহুতো সংস্কাৰমূলক কাম কৰিলেও তেৱেঁই দেশখনলৈ পেট্ৰ'-ইছলাম আমদানিৰ পথ প্ৰদৰ্শক আছিল। ভুট্টোই বুজিছিল যে ১৯৬৭ চনত ইজৰাইলৰ হাতত ইজিপ্তৰ পৰাজয়ৰ পাছত আৰু বিশেষকৈ গামাল আবেদন নাছেৰৰ মৃত্যুৰ লগে লগে আৰব বিশ্বৰ ভৰকেন্দ্ৰ মিছৰৰ পৰা চৌদি আৰবলৈ স্থানান্তৰিত হৈছে। তেওঁ আৰু বুজিছিল যে মুয়াম্মাৰ গদ্দাফিৰ লিবিয়া ঠাচৰ সাম্ৰাজ্যবাদবিৰোধী জাতীয়তাবাদে হয়তো এটা নতুন জীৱন পাইছে। কিন্তু তেলৰ পৰা আয় বাঢ়িলেও উপসাগৰীয় অঞ্চলৰ সৰু সৰু উৎপাদকসকল তাৰদ্বাৰা খুব বেছি লাভবান হোৱা নাই। ভুট্টোই এইসকলৰ ফালেহে সহযোগিতা হাত আগবঢ়ালে।

এই পশ্চিম এছিয়া মাৰ্কা ইছলামতত্ত্ব পাকিস্তানত নানাভাবে প্ৰৱেশ কৰিলে। নাছেৰ আছিল ধৰ্মনিৰপেক্ষ আৰু

৫ পৃষ্ঠাত চাওক...

# স্বামী বিবেকানন্দ দেৱৰ দৃষ্টিত ধৰ্ম

(স্বামী বিবেকানন্দ দেৱৰ (১২ জানুৱাৰী, ২০১৮) ১৫৫সংখ্যক জয়ন্তী উপলক্ষে তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই)



মতামত

ভবেশ নাথ

*'If one religion be true, than all the others must be true. Thus the Hindu faith is as much yours as it is mine.'*
*–Swami Vivekananda*

স্বামী বিবেকানন্দ দেৱৰ ভাষাৰেই কওঁ ঃ যদি কোনো এক ধৰ্ম সঁচাৰ ওপৰত প্ৰতিষ্ঠিত হয়, নিশ্চিতভাৱে অন্যবোৰো সঁচাৰ ওপৰতেই প্ৰতিষ্ঠিত হ'ব। এনেদৰে হিন্দু ধৰ্মৰ ওপৰত আপোনাৰ যিমান বিশ্বাস মোৰো সমানেই।

ইয়াৰ মাজেৰে তেখেতে এইটোৰেই ক'ব বিচাৰিছে যে কোনো ধৰ্মৰ আন কোনো ধৰ্মতকৈ পৃথক নহয়। সত্যক প্ৰতিনিধিত্ব কৰিব বিচৰা সকলো ধৰ্মই একে। সমসাময়িক ভাৰতীয় সমাজ ব্যৱস্থাত ধৰ্মক লৈ যি বিভেদতা পৰিস্ফুট হৈছে, সেই সময়ত বিবেকানন্দ দেৱৰ উক্তিক উনুকিয়াই চোৱাৰ নিশ্চয় প্ৰয়োজনীয়তা আহি পৰিছে। বিবেকান্দ দেৱৰ উক্ত কথাখিনিয়ে ধৰ্মীয় নিৰপেক্ষতাৰ এক আভাস পোৱা যায়। তেওঁৰ দৃষ্টিত হিন্দু, মুছলমান, শিখ, জৈন, খ্ৰীষ্টান সকলোবোৰ ধৰ্মই একে, কিয়নো আপাত দৃষ্টিত সকলোবোৰ ধৰ্মই সত্যকেই প্ৰতিনিধিত্ব কৰিব বিচাৰে। তেনেস্থলত কোনোবা ধৰ্মক আন কোনো ধৰ্মতকৈ ওপৰত স্থান দিব যোৱাৰ প্ৰয়োজনীয়তাই বা ক'ত। অৰ্থাৎ তেখেতৰে দৃষ্টিভংগীৰে যদি আমি কথাখিনি কওঁ প্ৰত্যেক ধৰ্মই নিজ নিজ স্থানত শুদ্ধ। বিবেকানন্দ দেৱৰ এই চিন্তাধাৰাৰ বিপৰীতে আজিৰ সমসাময়িক ব্যৱস্থাই গতি কৰিব বিচাৰে বাবেই বা গতি কৰাব বিচৰা হৈছে বাবেই খেলিমেলি লাগিছে। তাতেই যদি শাসক চক্ৰৰ নেতৃত্বত কোনোবা নিৰ্দিষ্ট ধৰ্মক আন কোনো ধৰ্মতকৈ উচ্চ খাপৰ বুলি প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰা হয়, তেনে প্ৰতিক্ৰিয়া স্বাভাৱিকতে অন্য ধৰ্মাৱলম্বী লোকসকলক বিতুষ্ট কৰিব। যিটো বৰ্তমান ভাৰতবৰ্ষৰ ক্ষেত্ৰত দেখিবলৈ পোৱা গৈছে। সংবিধানে প্ৰদান কৰা ধৰ্মনিৰপেক্ষতাৰ চৰিত্ৰক পদে পদে উলংঘন কৰা হৈছে। বেছি দূৰলৈ নগৈ মাত্ৰ দুটা উদাহৰণ দিব বিচাৰিছো। পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতিৰে শাসন ক্ষমতা দখল কৰা অসমৰ বিজেপি চৰকাৰখনে তেওঁলোকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগমুহূৰ্তত এটা বিশেষ ধৰ্মৰ ৰীতি-নীতিৰে সচিবালয় শুদ্ধিকৰণ কৰিছিল। ভাৰতবৰ্ষৰ সংবিধনে চৰকাৰীভাৱে কোনো ধৰ্মকেই প্ৰতিনিধিত্ব কৰাৰ কথা কোৱা নাই। তাৰোপৰি এক নিৰ্দিষ্ট ধৰ্মৰ ৰীতি-নীতিৰে চৰকাৰী উদ্যোগত নমামী ব্ৰহ্মপুত্ৰ উৎসৱো সেই একেখন চৰকাৰেই যোৱা সময়ছোৱাত উদযাপন কৰিলে। ৰাজকীয় পৃষ্ঠপোষকতাত এনেদৰে এক নিৰ্দিষ্ট ধৰ্মৰ গুণা গাঁথা আৰম্ভ হ'লে বাকী ধৰ্মাৱলম্বী লোকসকলৰ মাজতো ধৰ্মীয় চেন্টিমেণ্টে ঠাই লোৱাটো স্বাভাৱিক। কাৰণ সকলো ধৰ্মাৱলম্বী লোকেই তেতিয়া তেওঁলোকৰ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব বিচাৰিব আৰু বৰ্তমানে সেয়াই হ'বলৈ গৈ আছে। এনে প্ৰক্ৰিয়াই সকলো ধৰ্মক সমদৃষ্টিৰে চাব পৰাৰ বিবেকানন্দ দেৱৰ মানসিকতাক নিতৌ আঘাত কৰি আছে।

আনহাতে উল্লেখযোগ্য যে সাম্প্ৰদায়িক চেতনাত সদায় দুটা গোষ্ঠী থাকে— 'সিহঁত' আৰু 'আমি'। 'সিহঁত'কেন্দ্ৰিক অতি কথাবোৰ ভয়ংকৰভাৱে নেচিবাচক হোৱাৰ বিপৰীতে 'আমি' কেন্দ্ৰিক অতি কথাবোৰ সদায় আত্মমুগ্ধকৰ ইতিবাচক। দৃষ্টান্ত নিষ্প্ৰোয়োজন। স্বামী বিবেকানন্দ দেৱে কৈছিল— 'যি ভাৰতত সকলো সম্প্ৰদায়ে চিৰদিনে সন্মানিত হৈ আহিছিল, সেই ভাৰততে যদি এতিয়াও সাম্প্ৰদায়িক বিবাদ, বিভিন্ন সম্প্ৰদায়ৰ মাজত কাজিয়া-পেচাল হৈয়ে থাকে, তেন্তে আমাৰ জীৱন সঁচাকৈয়ে ধিক।' আজি বিবেকানন্দ দেৱৰ সেই উক্তিয়েই যেন বাস্তৱ ৰূপ পাবলৈ লৈছে। বিবেকানন্দৰ নামোচ্চাৰণ কৰিয়েই এচাম লোকে বিভেদৰ ৰাজনীতি আৰম্ভ কৰিছে। তেওঁলোকৰ ক্ষমতাকেন্দ্ৰিক কুৎচিত ৰাজনীতিৰ বলি হৈছে শ শ ভাৰতবাসী। বিবেকানন্দ দেৱে সঠিক ভাৱেই কৈছিল— 'গোড়ামিৰ বিষয়ে ভাবাচোন।... অতীতত সিহঁতে কি কৰিছিল, আকৌ এতিয়াও যদি কিবা কৰাৰ মুক্ত সুযোগ দিয়া হয়, তেন্তে সিহঁৰৰৰৰঁতে কি কৰিব পাৰে, সেই কথাও ভাবিবচোন।' বৰ্তমানেও আমি সেয়াই দেখিবলৈ পাইছো— ভোটৰ ৰাজনীতিৰে দিল্লীৰ ৰাজপাট দখলৰ বেলিকা সিহঁতে সমগ্ৰ ভাৰতবৰ্ষতে সাম্প্ৰদায়িক দাংগাৰে তেজৰ সোঁত নিগৰাই দিবলৈয়ো যেন কুণ্ঠাবোধ নকৰে। তাৰোপৰি ধৰ্মক ৰাজনীতিৰ সৈতে এক কৰি ধৰ্মৰ যি ধৰ্মীয় চৰিত্ৰ তাক ওফৰাই দিবলৈ চেষ্টা কৰা হৈছে।

কিন্তু এটা কথা ঠিক ধৰ্মক সাৰোগত কৰি গঢ় লৈ উঠা ৰাষ্ট্ৰ ব্যৱস্থাই কোনো দিনেই জনসাধাৰণৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিব নোৱাৰে। চুবুৰীয়া পাকিস্তান ইয়াৰ জ্বলন্ত উদাহৰণ। ধৰ্মক লৈ ৰাজনীতি কৰিব বিছৰা ইৰাক, ইৰাণ, চিৰিয়াৰ অৱস্থা আজি সকলোৰে অৱগত। ধৰ্ম ব্যক্তিৰ নিজস্ব আৱেগ-অনুভূতিৰ লগত জড়িত। যিয়ে যি ধৰ্মত বিশ্বাসী, সেই মতেই ব্যক্তিয়ে তাক পালন কৰাৰ অধিকাৰ পাব লাগে। এয়া একান্ত ই ব্যক্তিৰ নিজস্ব স্বাধীনতাৰ ওপৰত নিৰ্ভৰশীল। সাম্প্ৰতিক আমাৰ দেশৰ এক নিৰ্দিষ্ট ধৰ্মকেন্দ্ৰিক ৰাজনীতি আমাৰ দেশতো আৰম্ভ হৈছে ইতিমধ্যে। যদি সেয়াই হয়, তেতিয়াহ'লে আমাৰো দশা ইৰাক, চিৰিয়া, আফকানিস্তানৰ দৰে হ'বলৈ বেছিদিন নালাগিব। এই মুহূৰ্তত আমি সচেতন নহ'লে, সাম্প্ৰদায়িকতাৰ ভয়াৱহ পৰিণতিৰ বিষয়ে সৰ্বসাধাৰণক সজাগ কৰি নুতুলিলে অসমতো বৈ যাব পাৰে তেজৰ সোঁত, আকাশত উৰিব পাৰে শগুণ আৰু সেই তেজ, সেই মৃতদেহ গচকি বিভেদকামী শক্তিসমূহে ৰাজপাটত বহি লোৱাৰ লগে লগে অসমবাসীক মধ্যযুগলৈ ওভোতাই নিয়াৰ প্ৰক্ৰিয়াও ত্বৰান্বিত কৰি তুলিব। সেয়ে এনে এক সন্ধিক্ষণত স্বামী বিবেকানন্দ দেৱে আমাক দি থৈ যোৱা ধৰ্মীয় উদাৰতাৰ সংজ্ঞা আমি আমাৰ জনসমাজত প্ৰতিষ্ঠা কৰিবলৈ বদ্ধপৰিকৰ হ'ব লাগিব। লগতে সংবিধানে প্ৰদান কৰা ধৰ্মনিৰপেক্ষতাৰ চৰিত্ৰক অক্ষুণ্ণ ৰাখিবলৈ প্ৰতিজন সচেতন গণতান্ত্ৰিক ভাৱাপন্ন লোক আগবাঢ়ি আহিব লাগিব। তেতিয়াহে ধৰ্ম আৰু ৰাজনীতিক পৃথকে ৰখাৰ পৰিৱেশ এটা গঢ় দিব পৰা যাব।

# বালিপৰাত কৃষক-শ্ৰমিকৰ যৌথ প্ৰতিবাদী আন্দোলন

বৰ্তমান খাদ্য আৰু বাৰহাৰ্য প্ৰতিবিধ সামগ্ৰীৰে অভাৱনীয়ভাৱে মূল্যবৃদ্ধি হৈছে। ফলত সৰ্বসাধাৰণৰ কথা বাদেই মধ্যবিত্ত সমাজো এক জটিল সংকটৰ গৰাহত পৰিছে। গৰিব মানুহে আয়ৰ সিংহভাগ ধন ব্যয় কৰিবলগীয়া হৈছে খাদ্য সামগ্ৰীত। খাদ্য সামগ্ৰীৰ লগতে জীৱনদায়িনী ঔষধৰ দামো লেকামহীনভাৱে বৃদ্ধি হৈছে। চৰকাৰে মূল্য নিয়ন্ত্ৰণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। দীৰ্ঘদিন দাবী কৰি অহাৰ পাছতো চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা সাৰ্বজনীন আৰু শক্তিশালী কৰি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ৰাজসাহায্য দি চৰকাৰে সুলভমূল্যত যোগান ধৰাৰ ব্যৱস্থা নকৰি সংকুচিত কৰিছে সৰ্বসাধাৰণ ৰাইজক বৰ্তমান সুত বজাৰৰ অবাধ লুণ্ঠনৰ ওচৰত এৰি দিছে। ব্যয় সংকোচনৰ নামত ৰাজসাহায্য ব্যাপকভাৱে কৰ্তন কৰিছে। অথচ বৃহৎ পুঁজিপতিক ১৭ লক্ষকোটি টকাৰ অধিক কৰ ৰেহাই দিছে। আনহাতে কৃষকৰ উৎপাদিত ফচল শাক-পাচলিকে ধৰি অন্যান্য ফচল পানীৰ দামত কৃষক বিক্ৰী কৰিবলৈ বাধ্য হৈছে। মধ্যস্বত্ব ভোগীৰ দৌৰাত্মৰ ফলত ৰাইজে চৰা দামত এইবোৰ কিনিবলৈ বাধ্য হৈছে। মধ্যভোগীক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰ সম্পূৰ্ণ উদাসীন। পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ দাম হ্ৰাস হোৱাৰ পৰিৱৰ্তে দিনক দিনে বৃদ্ধিহে পাইছে। পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত ব্যাপক হাৰত শুল্ক বৃদ্ধি কৰি শ্ৰমজীৱী মানুহৰ কান্ধত মেটমৰা বোজা জাপি দিছে। চৰকাৰৰ এনে পুঁজিপতিক তোষণ কৰা নীতিৰ বাবে শ্ৰমজীৱী মানুহ ঋণগ্ৰস্ত হ'বলগীয়া হৈছে আৰু আত্মহত্যাৰ দৰে পথ বাছি ল'বলগীয়া হৈছে।

দেশৰ আঁচনিভুক্ত শ্ৰমিক-কৰ্মচাৰী, চাহ শ্ৰমিকসকলে ন্যায্য মজুৰিৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰৰ ওছৰত দাবী উত্থাপন কৰি ৰাখিছে। চৰকাৰে কোনো ভ্ৰূক্ষেপ কৰা নাই। গ্ৰাম্য শ্ৰমিকসকলৰ কামৰ গেৰেণ্টী আইন এম এনৰেগা আঁচনিকো চৰকাৰে সংকুচিত কৰিছে। বন আইন- ২০১৬ৰ যোগেদি বনবাসী কৃষকসকলক মাটিৰ অধিকাৰ প্ৰদানৰ যি আইন তাক চৰকাৰে কাৰ্যকৰী নকৰি উচ্ছেদ আদিৰে বঞ্চিত কৰাৰ পৰিকল্পনা কৰিছে। বান-গৰাখহনীয়া সমস্যাৰ ক্ষেত্ৰতো সমাধানৰ কোনো পদক্ষেপ নাই। এনে সমস্যাৰ ভিত্তিতে যোৱা ১৯ জানুৱাৰীত দেশজোৰা শ্ৰমিক-কৃষকৰ মৈত্ৰীৰ প্ৰতিবাদী দিৱস বালিপৰাৰ চাৰিদুৱাৰ ৰাজচক্ৰ কাৰ্যালয়ৰ সমীপত অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ অনুষ্ঠিত হয়। শতাধিক আঁচনিভুক্ত শ্ৰমিক-কৃষকৰ এই অৱস্থানস্থলীত সংগঠনৰ পক্ষৰ পৰা কিৰণ দত্ত, গজেন বৰা, মহেশ গগৈ, দীপালী দাস, নিৰু দত্ত আৰু শুক্ৰাশ্ৰী খাখলাৰীয়ে সমস্যাসমূহ ব্যাখ্যা কৰি বক্তব্য দাঙি ধৰে। দিনৰ ১ বজাত সমদল কৰি চক্ৰ বিষয়াক ১০ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে।

**প্ৰতিবেদক ঃ** কিৰণ দত্ত

# ৰাছিয়া চাই আহিলো

(যোৱা সংখ্যাৰ পাছৰ পৰা)

■ ৰিতুৰঞ্জন দাস



ভিক্টোৰি পাৰ্কৰ পৰা আমি মস্কো ইউনিভাৰ্চিটিলৈ যাত্ৰা আৰম্ভ কৰিলো। একা বেঁকা পাহাৰীয়া আৰু ঘন বননিৰ মাজেৰে সন্ধিয়া পৰত মস্কো ইউনিভাৰ্চিটিৰ সন্মুখত উপস্থিত হ'লো। ১৭৫৫ চনৰ ২৫ জানুৱাৰীত স্থাপন কৰা এই ইউনিভাৰ্চিটি খনৰ সম্পূৰ্ণ নাম লোমনছোভ মস্কো ষ্টেট ইউনিভাৰ্চিটি। ইয়াক বিশ্বৰ আটাইতকৈ ওখ বিশ্ববিদ্যালয় বুলি কোৱা হয়। বিশ্ববিদ্যালয়খনত পাঁচ হেজাৰ একাডেমিক ষ্টাফ আৰু ৪৭ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। ইয়াত তিনিটা বিভাগ আছে— দৰ্শন, মেডিচিন আৰু আইন। ছোভিয়েট ইউনিয়নৰ সময়ত সমগ্ৰ দেশৰ লগতে মস্কো ইউনিভাৰ্চিটিত সম্পূৰ্ণ বিনামূলীয়া শিক্ষা দিয়া হৈছিল। অকল দেশৰ ছাত্ৰকেই নহয়, বিদেশৰ ছাত্ৰয়ো বিনামূলীয়া শিক্ষা লাভ কৰিছিল। মস্কো ইউনিভাৰ্চিটি যি মডেলত বনোৱা হৈছে ঠিক একেই মডেলৰ আৰু ছয়টা বিল্ডিং বনোৱা হৈছিল ইয়াৰ সন্মুখত আৰু সমদূৰত্বত। মস্কো ইউনিভাৰ্চিটিৰ সন্মুখত থিয় হ'লে বাকী ছয়টা দেখিবলৈ পোৱা যায়। প্ৰচাৰ আছে যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এই বিল্ডিংসমূহত আত্মগোপন কৰি ষ্টেলিন আৰু তেওঁৰ সহযোগিসকলে যুদ্ধ পৰিচালনা কৰিছিল। কিন্তু পৰিতাপৰ কথাটো হৈছে বৰ্তমান মস্কো ইউনিভাৰ্চিটিত বিনামূলীয়া শিক্ষাৰ পৰিবৰ্তে আৰম্ভ হৈছে চেলফ ফাইনেচিং (Self Financing) কোৰ্চ। বাকী ছয়টা বিল্ডিং প্ৰাইভেট কোম্পানীক হোটেল বা অন্যান্য কাম কৰিবলৈ লিজত দিয়া হৈছে। এনেদৰেই মস্কো চহৰৰ কিছু নিৰ্দিষ্ট ঠাই পৰিভ্ৰমণ কৰি আমি কোছমোকচ হোটেললৈ ঘূৰি আহিলো।

১৩ অক্টোবৰ মস্কোৰ পৰা চোচিলৈ যাত্ৰাৰ দিন। পুৱা ৮ বজাতে ব্ৰেকফাষ্ট কৰি আমি এয়াৰপ'ৰ্টলৈ যাবলৈ সাজু হ'লো। মস্কোৰ পৰা প্ৰায় ৭০ কিলোমিটাৰমান দূৰত ডি এম ই এয়াৰপোৰ্ট। ৰাস্তাত কিছু ট্ৰেফিক জাম পালো। এটা কথা আগতেই কোৱা হৈছে যে ৰাছিয়াৰ দোকানী বা হোটেল, টেক্সী বা বাছ ড্ৰাইভাৰে বেছিভাগেই ইংৰাজী নাজানে। আমি এয়াৰপ'ৰ্টলৈ যোৱা কাৰখনৰ ড্ৰাইভাৰজনৰো একেই অৱস্থা। দুই এটা ইংৰাজী শব্দৰ বাদে বিশেষ একো নাজানে। ট্ৰেভেল এজেঞ্চীৰ গাইড আৰু হোটেল সুৰক্ষা কৰ্মীয়ে বুজাই দিয়া মতে তেওঁ গাড়ী চলাই নিছে। আমাৰ ভয় আৰু শংকা হৈছিল বেলেগ এয়াৰপোৰ্টলৈ নিয়ে নেকি। মস্কোৰ ওচৰা-ওচৰিকৈ তিনিটা এয়াৰপোৰ্ট আছে। ইতিমধ্যে বেংগলৰ চাৰিজনীয়া টিম এটাক তেনেকৈ ভুল এয়াৰপোৰ্টত লৈ যোৱাৰ বাবে ফ্লাইট ধৰিব নোৱাৰিলে। ভাষাৰ সমস্যাৰ মাজতো আমি ড্ৰাইভাৰজনক দুইএটা কথা সুধিছিলো। গাড়ী অলপ স্পীডত চলাবলৈ কৈছিলো। কিন্তু তেওঁ নিয়ম ভংগ কৰি কোনোমতে গাড়ী নচলায়। ৰাষ্ট্ৰপতি পুটিনৰ কথা সোধাত জাঙুৰ খাই উঠি ক'লে— মাফিয়া-মাফিয়া বুলি আৰু ৰাছিয়ান ভাষাতে কিবা কিবি গালি পাৰিলে। পূৰ্বৰ ছোভিয়েত ইউনিয়ৰ কথা সুঁৱৰি 'গুড গুড' বুলি ক'লে। ইমান দৌৰা-দৌৰি কৈ এয়াৰপোৰ্ট পোৱাৰ পাছত গম পালো আমাৰ ফ্লাইট কেনচেল হৈছে। গতিকে আমি উদ্বোধনী অনুষ্ঠানটো নোপোৱা প্ৰায় নিশ্চিত হ'ল। দুখো লাগিল। চোচিমুখী এই দলটোত আমি আছিলো ৮জন। ইয়াৰ ৪জন কেৰালাৰ, এজন মহাৰাষ্ট্ৰ, এজন তামিলনাড়ু, এজন ঝাৰখণ্ডৰ আৰু অসমৰ মই। কেৰালাৰ দুজন কমৰেডে বিকল্প টিকটৰ বাবে গ'ল। প্ৰথমে ভিম নামৰ যিটো এয়াৰলাইনচৰ টিকট কটা হৈছিল তেওঁলোকৰ সৈতে যোগাযোগ কৰিলে যদিও তেওঁলোকে কোনো বিকল্প ব্যৱস্থা নকৰিলে। শেষত দুজনে বিকল্প ফ্লাইটৰ বাবে গ'ল আৰু বাকীকেইজন এয়াৰপোৰ্টৰ এটা চুকত বহি পৰিলো। চাহ পানী একোৰেই খোৱা নাই, গতিকে প্ৰথমতে পানী আৰু কিবা কিনি আনিম বুলি ওপৰ মহলালৈ উঠি গ'লো। পানী আধা লিটাৰ বটল এটা লৈ এজনক দাম সুধিলো আৰু আনজনে অন্য খোৱা বস্তু ছোৱাত লাগিলো। দোকানিজনে ক'লে ১২০ ৰুবল বুলি কোৱাত চক খাই উঠিলো। বেলেগ বস্তু ছোৱা বাদ দি কিবা ভুল শুনিলো বুলি পুনৰ সুধিলো। নাই ঠিকেই শুনিছো আমি। আধা লিটাৰ পানীৰ দাম ১২০ ৰুবল। ভাৰতীয় টকাৰ হিচাপত প্ৰায় ১৪০ টকা। বেলেগ বস্তু কিনিৰ সাহস নকৰি আধা লিটাৰ পানী লৈ তললৈ নামি আহিলো। আমি ৰাছিয়াত ভৰি থৈ বস্তুৰ মূল্যৰ আভাসলৈ এটা কথা নিশ্চিত হৈছিলো যে আমাৰ হাতত থকা সামান্য টকাখিনিৰে বৰ বেছি খৰচ কৰিব নোৱাৰিম। নহ'লে ডাঙৰ বিপদত পৰাৰ সম্ভাৱনা আছে। সেয়ে খুব প্ৰয়োজন নহ'লে কিবা বস্তু কিনা বা খোৱা বন্ধ কৰি দিছিলো। এটা সৰু বাৰ্গাৰ খায়ো এৰাতি কটালো। মোৰ দৰে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ কমৰেডজনৰো একেই অৱস্থা। এফালে টকাৰ সংকট, আনহাতে ফ্লাইট কেনচেল। দুচিন্তাবোৰ আৰু বঢ়াই তুলিলে। শেষত সেইদিনা চোচিলৈ অহা টিকট নাপাই পুনৰ কছমোকছ হোটেললৈ উভতি আহিলো।

**চোচিলৈ যাত্ৰা**

১৪ অক্টোবৰৰ পুৱা বিমান বন্দৰ অভিমুখে ৰাওনা হ'লো। এক বজাত আমাৰ বিমান মস্কোৰ পৰা চোচিলৈ উৰা মাৰিলে। এই আমাৰ ৮জনীয়া দলটোৰ উপৰি বিমানৰ প্ৰায়সংখ্যক যাত্ৰীয়ে যুৱ মহোৎসৱৰ প্ৰতিনিধি। ২ ঘণ্টা ৪৬ মিনিট আকাশেৰে যোৱাৰ পাছত কৃষ্ণ সাগৰ পাৰৰ সেউজ ঘাঁহনি আমাৰ চকুত পৰিল। সাগৰৰ পাৰতে চোচি বিমান বন্দৰ। চোচিক ৰাছিয়াৰ 'ছামাৰ চিটি' বুলি কোৱা হয়। ৪ বজাত বিমানবন্দৰৰ পৰা বাহিৰলৈ ওলালো। প্ৰায় ১০-১২জনীয়া এটা ছাত্ৰ-ছাত্ৰীৰ দলে আমাক অভিবাদন জনাই বহিৰলৈ ক'লে। কিছু অপেক্ষাৰ পাছত আমাৰ বাবে গাড়ী আহিল। আমি ভাৰতবৰ্ষৰ ৮জনীয়া দলটোৰ উপৰি দক্ষিণ আফ্ৰিকা, নেপালৰ প্ৰতিনিধিসকল লগ হ'লো। আমাক প্ৰথমতে প্ৰতিনিধি পঞ্জীয়ন গৃহলৈ নিয়া হ'ল। ইতিমধ্যে বাকী সকলো প্ৰকতিনিধিয়ে আহি পাইছিল। আমি যদিও তৃতীয়ভাগত আহিছিলো তথাপি ফ্লাইট বাতিলৰ বাবে আমি শেষত উপস্থিত হ'লো।

নাম পঞ্জীয়নৰ বাবে শাৰী পাতিলো। দীঘলীয়া শাৰী। বহু সময়ৰ অন্তত নিশা প্ৰায় ১২ বজাত আমাৰ ৮জনীয়া দলটোৰ মাত্ৰ তিনিজনৰ পঞ্জীয়ন হ'ল। সেই অনুসৰি আমাৰ তিনিজনৰ বাবেহে থকা-মেলা, খোৱা-লোৱাৰ ব্যৱস্থা হ'ব। ৰাছিয়াত আহি যে এনেকুৱা এটা পৰিস্থিতি হ'ব সেয়া আগতেই জানিছিলো আৰু তাৰ বাবে প্ৰস্তুতো আছিলো। পূৰ্বতে অহা প্ৰতিনিধিসকলৰ বহুতকেই প্ৰতিনিধিৰ অযোগ্য বুলি ঘোষণা কৰি পঞ্জীয়নত বাৰণ কৰিছে। ডি ৱাই এফ আইৰ সৰ্বভাৰতীয় সম্পাদক অভয় মুখাৰ্জী, এছ এফ আইৰ সৰ্বভাৰতীয় সম্পাদক ড° বিক্ৰম সিঙেও প্ৰতিনিধিৰ তালিকাত নাই। মাত্ৰ কেইজনমানেহে প্ৰতিনিধি হোৱাৰ যোগ্য বুলি নিৰ্বাচিত কৰিছে পুটিন চৰকাৰৰ নিয়ন্ত্ৰণত চলা অভ্যৰ্থনা সমিতিয়ে। ৭৬জনীয়া যুৱ-ছাত্ৰৰ প্ৰতিনিধি দলৰ প্ৰায় অৰ্ধেককেই প্ৰতিনিধি হোৱাত বাৰণ কৰিছে। অকল ভাৰতৰেই নহয়, সম্পূৰ্ণ ৰাজনৈতিক কাৰণত পুটিন চৰকাৰে বহু দেশৰ প্ৰতিনিধিৰ প্ৰতিনিধিত্ব বাতিল কৰিছে। আনকি ৰাছিয়াৰ মূল কমিউনিষ্ট পাৰ্টিৰ যুৱ সংগঠনটোক যুৱ মহোৎসৱ যোগদানত বাৰণ কৰিছে। আমি সকলোকে পঞ্জীয়ন কৰাৰ বাবে অভ্যৰ্থনা সমিতিৰ ওচৰত দাবী কৰিলে আৰু সকলো প্ৰতিনিধিয়ে পঞ্জীয়ন নোপোৱা পৰ্যন্ত কোনেও আঁতৰি নোযোৱাৰ কথা জনাই দিলো। অভ্যৰ্থনা সমিতিৰ দুই প্ৰতিনিধিয়ে আহি কেইবাবাৰো বুজোৱাৰ চেষ্টা কৰিলে। অৱশেষত নিশা এক বজাত আমাক অন্য এটা পঞ্জীয়ন কেন্দ্ৰলৈ লৈ যোৱা হ'ল। তাত বিস্কুট পানী আৰু আপেল খাবলৈ দিলে। আমি সকলোৰে টোপনি আৰু দীঘলীয়া অপেক্ষাৰ বাবে ভাগৰুৱা হৈ পৰিছিলো। প্ৰায় তিনি বজাত আমাৰ পঞ্জীয়ন হ'ল। পঞ্জীয়নৰ পাছত অলিম্পিক ষ্টেডিয়ামৰ কাষৰ হোষ্টেললৈ নিলে। হোষ্টেলৰ অভ্যৰ্থনা কক্ষত পৰিচয়পত্ৰ আৰু পাছপ'ৰ্ট জমা দিয়াৰ পাছত আমাৰ বাবে বোটেলৰ ব্যৱস্থা হ'ল। ৪.৩০ বজাত হোষ্টেলৰ পৰা কৃষ্ণ সাগৰৰ পাৰত অৱস্থিত হোটেলত আমাৰ থকাৰ ব্যৱস্থা হ'ল। অইন এটা সমস্যা হ'ল আমি আঠজনে বাকী ভাৰতীয় প্ৰতিনিধিসকলৰ পৰা বিচ্ছিন্ন হৈ পৰিলো কাৰণ তেতিয়ালৈ আমাৰ কাৰো হাততে ৰাছিয়ান মোবাইল নম্বৰ নাছিল। ইমান অপেক্ষা আৰু ভাগৰুৱা হৈ পৰাৰ পাছত ৫ বজাত যেতিয়া হোটেল পালো সকলোৰে শুই পৰিলো।

**চোচিৰ যুৱ মহোৎসৱ আৰু পুটিন চৰকাৰৰ ষড়যন্ত্ৰ**

যুৱ মহোৎসৱৰ বাবে গঠিত অভ্যৰ্থনা সমিতিখনে চৰকাৰৰ নিৰ্দেশত সংগঠনৰ অভ্যন্তৰিণ বিষয়বোৰতো হস্তক্ষেপ কৰিবলৈ লৈছিল। বিশ্ব

৭ পৃষ্ঠাত চাওক...



২ পৃষ্ঠাৰ পৰা...

# কাশ্মীৰ ঃ অতীত বৰ্তমান ভৱিষ্যৎ

সাম্ৰাজ্যবাদবিৰোধী আৰু আছিল খুবেই জনপ্ৰিয়। গদ্দাফিয়ে সাম্ৰাজ্যবাদবিৰোধিতাক ইছলামীয় পথেৰে পোনালে। তেৰোঁ ভীষণ জনপ্ৰিয় আছিল। ভুট্টোৱে লাহোৰৰ নতুন ষ্টেডিয়ামৰ নাম ৰাখিলে ‘গদ্দাফি ষ্টেডিয়াম’। তেওঁৰ আমন্ত্ৰণতে অৰ্গেনাইজেচন অফ ইছলামিক কনফাৰেন্স (আই অ’ চি)ৰ অধিৱেশন উপলক্ষে এই ষ্টেডিয়ামত ভাষণ দিয়ে গদ্দাফিয়ে। আধা প্ৰগতিবাদী বুদ্ধিজীৱীসকলৰ প্ৰায়ভাগেই ইছলামৰ মাজত বিপ্লৱী উপাদান বিচৰাত ব্যস্ত হৈ পৰে। ভুট্টোৱে চৌদি আৰবৰ ৰজা ফয়জলকো প্ৰাচীন বাদশ্বাহী মছজিদত শুকুৰবাৰৰ নামাজ পৰিচালনাৰ বাবে মাতি আনিছিল। সেই সময়ত পাকিস্তানৰ যিসকল শ্ৰমিক বৃত্তিধাৰী ব্যক্তি তেল উৎপাদনকাৰী দেশবোৰলৈ গৈছিল, সেইসকলে ঘূৰি অহাৰ সময়ত টকা-পইচাৰ উপৰি সামাজিক ৰক্ষণশীলতা আৰু ভোগবাদৰ সমন্বয়ত গঢ় লৈ উঠা পেট্ৰ’-ইছলামকো নিজৰ দেশলৈ লৈ আহিছিল। জামাত-ই-ইছলামীয়ে কলেজে কলেজে তেওঁলোকৰ ছাত্ৰ শাখাৰ সন্মিলনবোৰত ভাতৃপ্ৰতিম প্ৰতিনিধি হিচাপে গোড়া ইছলামপন্থী আৰবীয় যুৱ সংগঠন ইখবান-উল-মুছলিমীনকো হাজিৰ কৰাইছিল।

১৯৭৩ চনত আফগানিস্তানত মহম্মদ দাউদ খানৰ অভ্যুত্থানৰ পাছত সেই দেশৰ পৰা বিভিন্ন বৃত্তিধাৰী লোক পাকিস্তানলৈ গুচি আহে। তেওঁলোক নানা ইছলামিক দল আৰু সংগঠনৰ লগত যুক্ত আছিল। ভুট্টোৱে এইবোৰ দল আৰু তেওঁলোকৰ চিন্তা-ভাৱনাক সুৰক্ষা দিছিল। যেনে গুলবুদ্দিন হেকমতিয়াৰে। সাতৰ দশকৰ মাজভাগত হেকমতিয়াৰক আই এছ আয়ে নিয়োগ কৰে। তেওঁ জিয়াৰ আমোলত ইছলামী উগ্ৰপন্থী কাৰ্যকলাপৰ লগত সক্ৰিয়ভাৱে যুক্ত হৈছিল। পিছলৈ আফগানিস্তানৰ প্ৰধানমন্ত্ৰী হৈছিল।

জেনেৰেল প্ৰিয়া-উল-হকৰ পতন ঘটাইছিল। এই পৰ্যন্ত এইজনেই পাকিস্তানৰ সকলোতকৈ বেছি ধূৰ্ত শাসক। তেওঁ আছিল ৰক্ষণশীলতাৰ চাপ মৰা এজন ধৰ্মপ্ৰাণ মুছলমান। তেওঁ আছিল দক্ষিণপন্থী সশস্ত্ৰবাহিনীৰ প্ৰধান, কাৰ্যত তেওঁ চৌদি আৰব আৰু আফগান ইছলামিক গোষ্ঠীবোৰৰ ফলীয়।

ভুট্টোৱে তৃতীয় বিশ্বৰ জাতীয়তাবাদী শিবিৰ আৰু সাম্ৰাজ্যবাদৰ ওপৰত দৈনন্দিন নিৰ্ভৰতাৰ মাজত কোনো এটা পথ বাচি ল’ব লগাবত পৰিছিল। কিন্তু জিয়াৰ আমেৰিকাৰ লগত সম্পৰ্ক আছিল খুলাখুলি। পাকিস্তানৰ বহুতেই এই কথা স্বীকাৰ কৰে। ইছলামাবাদস্থিত মাৰ্কি দূতাবাসত আমেৰিকাৰ স্বাধীনতা দিৱস উপলক্ষে ৪ জুলাই তাৰিখে এক অনুষ্ঠানত যোগ দিয়াৰ পাছতেই তেওঁ সামৰিক অভ্যুত্থান ঘটায়।

আফগানিস্তানত যুদ্ধ চলাই যাবলৈ আমেৰিকাই পাকিস্তানৰ ওপৰত ব্যাপকভাৱে নিৰ্ভৰ কৰিবলগীয়া হৈছিল। অকল আমেৰিকায়েই নহয়, আফগান যুদ্ধৰ উপসাগৰীয় ৰাজতন্ত্ৰবোৰেও কেইবাশ কোটি ডলাৰ অৰ্থৰ যোগান ধৰিছিল। তাৰ লগতে চলিছিল মাদকদ্ৰব্য চালানৰ ব্যৱসায়। আফগান মুজাহিদিনসকলক টকাৰ যোগান ধৰিবলৈ চি এ আয়ে মাদকদ্ৰব্যৰ ব্যৱসায় সংগঠিত কৰাত সাহায্য কৰে। আঠৰ দশকৰ আৰম্ভণি এইভাৱে প্ৰায় ২০০ কোটি ডলাৰ পৰিমাণৰ অৰ্থ পাকিস্তানে লাভ কৰে। ফলস্বৰূপে এক দশকৰ ভিতৰত বিশ্বৰ অন্য চহৰৰ তুলনাত কৰাচীত মাদক আসক্ত লোকৰ সংখ্যা বহু বেছি সংখ্যাত বৃদ্ধি পায়। মাদকদ্ৰব্যৰ চোৰাং চালানকাৰী মাফিয়াৰ বন্দুকৰ যুঁজৰ কেন্দ্ৰস্থল হৈ পৰে কৰাচী।

এই সময়ছোৱাত পাকিস্তান অন্যান্য অংশ, বিশেষকৈ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, বালুচিস্তান আৰু পাঞ্জাব প্ৰদেশত প্ৰায় ৩০লাখৰো অধিক আফগান শৰণাৰ্থীয়ে আশ্ৰয় লয়। যিবোৰ অঞ্চলত এওঁলোকে এক-তৃতীয়াংশ লোক থাকিয়েই গৈছে। ভুট্টোৰ আমোলত আফগান ইছলামী সংগঠনৰ বহুসংখ্যক নেতা পাকিস্তানলৈ গুচি আহে। ইপিনে আফগান শাসক শ্ৰেণীৰ কিছু অংশ পশ্চিমৰ দেশবোৰ বা ইৰাণ বা পাকিস্তানত আশ্ৰয় লৈছে। পাকিস্তানৰ শৰণাৰ্থী শিবিৰবোৰত দিয়া হয় সামৰিক প্ৰশিক্ষণ আৰু গোড়া ইছলামিক শিক্ষা। এই শিবিৰসমূহৰ পৰাই অসংখ্য যুৱকক আফগানিস্তান যুদ্ধলৈ পঠোৱা হয়। ছোভিয়েত সৈন্যবাহিনী আফগানিস্তানৰ পৰা প্ৰত্যাহাৰ কৰাৰ পাছত সাত দলৰ জোটে ক্ষমতা ভাগাভাগি কৰি লৈ লুটপাত আৰম্ভ কৰে। তালিবানৰ তুলনাত এওঁলোক কম ৰক্ষণশীল কিন্তু নৃশংসতাত সমান। পাকিস্তান আৰু চুডানৰ পৰা ব্ৰিটেইন পৰ্যন্ত বিভিন্ন দেশত আছে হেজাৰ হেজাৰ ‘মুক্তিযোদ্ধা’। এওঁলোকে নিজৰ মতলব হাচিল কৰিবলৈ প্ৰান্তে প্ৰান্তে ঘূৰি ফুৰিছে। কাশ্মীৰে এওঁলোকৰ বাবে এই সুযোগ মুকলি কৰি দিছে।

আফগানিস্তান আৰু পাকিস্তানৰ নিয়মীয়া সেনা, নিয়ন্ত্ৰিত ভাৰাতীয়া সেনা আৰু জেহাদ’ত আগ্ৰহী এক বিৰাট সংখ্যক লোক আছে যিসকল গোপন যুদ্ধৰ পাৰদৰ্শী আৰু এনে যুদ্ধত যোগ দিবলৈ ইচ্ছুক। ইয়াৰ লগতে পাকিস্তানত সকলো ধৰণৰ অস্ত্ৰ যোগান হৈ আছে। এনে অস্ত্ৰৰে সজ্জিত হৈ আছে আফগান উগ্ৰপন্থীসকল। এওঁলোকৰে এটা ডাঙৰ অংশক নিয়োগ কৰা হৈছে জম্মু আৰু কাশ্মীৰত। (আগলৈ)

১ পৃষ্ঠাৰ পৰা...

# সংগ্ৰামী সতীৰ্থ বিপিন হাজৰিকা



মৰ্মান্তিক আঘাত পাও। বহুকেইজন অনুজ সতীৰ্থ হেৰুওৱাৰ দুখ-শোক পাহৰিব নৌপাওঁতেই মোৰ অনুজ সংগ্ৰামী সতীৰ্থ বিপিন হাজৰিকাৰ জীৱন বন্তি নিৰ্বাপিত হোৱাৰ সংবাদে মৰ্মান্তিক আঘাত দিয়ে।

১৯৬৪ চনত অসমৰ মাটিত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ আধাৰশিলা স্থাপনৰ সময়ত উজনি অসমত অৰ্থাৎ তেতিয়াৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ পৰা খুব কমসংখ্যক পাৰ্টি সদস্য ভাৰতৰ কমিউনিষ্ট পাৰ্টি ত্যাগ কৰি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)লৈ আহিছিল। সেয়ে উজনি অসমৰ জিলা দুখন সামৰি মাত্ৰ এখন জিলা কমিটি গঠন কৰা হৈছিল— নাম আছিল উজনি অসম জিলা কমিটি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)। প্ৰয়াত সতীৰ্থ সুৰেন হাজৰিকা আছিল সম্পাদক। কেইবছৰমান পাছত উজনি অসম জিলা কমিটি ভাঙি দুখন জিলা কমিটি গঠন কৰা হয়। সুৰেন হাজৰিকাৰ নেতৃত্বতে পাৰ্টিৰ সম্প্ৰসাৰণ হৈছিল। শিৱসাগৰ জিলাৰ সম্পাদক নিৰ্বাচিত কৰা হয় সুৰেন হাজৰিকাক আৰু ডিব্ৰুগড় জিলাৰ সম্পাদক হয় সুকুমাৰ চক্ৰৱৰ্তী। তেতিয়া তিনিচুকীয়া জিলা গঠন হোৱা নাছিল। সুকুমাৰ চক্ৰৱৰ্তীৰ অক্লান্ত চেষ্টাৰ ফলত অবিভক্ত ডিব্ৰুগড় জিলাত পাৰ্টিৰ বিকাশ হ’ব ধৰে। তেওঁৰ পৰা আমি খবৰ পাইছিলো যে ডুমডুমাৰ শিক্ষক বিপিন হাজৰিকা ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদ)ৰ কামৰ লগত জড়িত হৈছে। এজন শিক্ষিত যুৱক আমাৰ পাৰ্টিৰ প্ৰতি আকৃষ্ট হোৱাৰ খবৰে আমাক উৎফুল্লিত কৰিছিল। ডুমডুমাত তেওঁ জ্যোতিষ দাসৰ সংগ পাইছিল।

হাজৰিকা পাৰ্টিলৈ আহিয়েই কৃষক সংগ্ৰামত লাগিল। এই সংগ্ৰামে কৃষক তথা অন্যান্য শ্ৰেণীৰ মানুহৰ মাজত পৰিচয় কৰাই দিলে যে বিপিন হাজৰিকা এজন সাহসী যুৱক কমিউনিষ্ট। সেই সময়ত তেওঁ ডুমডুমা ছোৱালী হাইস্কুলৰ শিক্ষক আছিল। চাকৰি হেৰুওৱাৰ ভয়ত তেওঁ স্কুলৰ চৌহদত থাকি পাৰ্টি কৰা নাছিল। যিকোনো জনস্বাৰ্থৰ হকে নিৰ্ভয়ে সংগ্ৰামত জপিয়াই পৰিছিল। সংগ্ৰামী হাজৰিকা ১৯৭২ চনতে গ্ৰেপ্তাৰ হৈ স্কুলৰ পৰা নিলম্বিত হৈছিল। স্কুলৰ পৰা নিলম্বনে তেওঁক হতাশ কৰা নাছিল। আগতকৈ বেছি সক্ৰিয় হৈ কৃষকৰ স্বাৰ্থ ৰক্ষাৰ্থে সংগ্ৰামত জপিয়াই পৰিছিল। তাৰ পাছত অসম চৰকাৰে তেওঁৰ কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰাখে। ইয়াৰ প্ৰমাণ পোৱা গ’ল কলেজ শিক্ষকৰ আন্দোলনৰ সময়ত ঠিক জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ আগতেই তেওঁ গ্ৰেপ্তাৰ হৈছিল। জৰুৰীকালীন অৱস্থা ঘোষণাৰ পাছত তেওঁৰ কাৰাবাস দীঘলীয়া হয়। ১৯ মাহতকৈ অধিক কাল তেওঁ একেৰাহে জে’লত থাকিব লগা হৈছিল। জে’লৰ পৰা মুক্ত হৈ বৈ নাথাকিল। আকৌ সংগ্ৰাম। স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম।

১৯৭৮ চনত তেওঁ সদিয়া সমষ্টিত পাৰ্টিৰ প্ৰাৰ্থী হয়। জয়লাভো কৰে। তেতিয়াৰ পৰা তেওঁৰ লগত মোৰ ঘণিষ্ঠতা বাঢ়ে। অসম বিধানসভাত তেওঁ তথ্যনিৰ্ভৰ বক্তৃতা প্ৰদান কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তেওঁ কাৰো লগত নীতিগত বিষয়ত আপোচ কৰা বিধৰ মানুহ নাছিল। অসম বিধানসভালৈ নিৰ্বাচিত হৈ তেওঁ শদিয়া মহকুমা স্থাপন কৰিবলৈ সক্ষম হৈছিল। এতিয়াৰ শদিয়া মহকুমা তেওঁৰ একক প্ৰচেষ্টাৰ ফল। এই কামত তেওঁৰ সহযোগী আছিল নাহৰকটীয়াৰ বিধায়ক সতীৰ্থ শশকমল সন্দিকৈ। দুয়োজনে শদিয়া মহকুমা স্থাপনৰ বাবে তেতিয়াৰ মুখ্যমন্ত্ৰী গোলাপ বৰবৰাক লগ ধৰি শদিয়াত যে এটা মহকুমা স্থাপনৰ প্ৰয়োজন সেই কথা বুজাবলৈ সক্ষম হৈছিল। তেওঁলোকৰ অকাট্য যুক্তিক সমৰ্থন কৰি গোলাপ বৰবৰা চৰকাৰে শদিয়া মহকুমা স্থাপন কৰে। হাজৰিকাৰ বিধায়ক জীৱনৰ এয়া এক স্মৰণীয় কীৰ্তি। ১৯৭৮ চনত প্ৰথমবাৰ অসম বিধানসভাত আমি উপস্থিত হৈছিলো। সেই বছৰতে অসমত প্ৰথম এখন অকংগ্ৰেছী চৰকাৰ গঠন হয়। জনতা

৭ পৃষ্ঠাত চাওক...

১ পৃষ্ঠাৰ পৰা...

# প্ৰয়োজন এক বিকল্প কৰ্মসূচী— বিকল্প আন্দোলন

ই অসমৰ কোনো জনগোষ্ঠীৰ বাবে কাম্য নহয়।

আৰ এছ এছ সৰসংঘ চালক মোহন ভাগৱতে যোৱা ২১ জানুৱাৰীত গুৱাহাটী ‘লুইতপৰীয়া সমাৱেশ’ত অংশ লৈ ক’লে ‘হিন্দুত্ব’ৰ আদৰ্শই আমাৰ দেশৰ বিবিধতাক স্বীকাৰ কৰে। শুনিবলৈ ভাল। কিন্তু প্ৰকৃততে এয়া হয় জানো? দ্বিচাৰিতা (double speak) হ’ল আৰ এছ এছৰ এক চিৰাচৰিত কৌশল। যেতিয়া আৰ এছ এছৰ ‘হিন্দুৰাষ্ট্ৰ’তত্ত্বৰ ওপৰত আক্ৰমণ হয়, তেতিয়া কয় যে তেওঁলোকৰ ‘হিন্দু’ৰ ধাৰণাই হিন্দুস্থান বা ভাৰতবৰ্ষত বসবাস কৰা সকলোকে সামৰি লয়। সেই আৰ এছ এছ আৰু অনুগত সংগঠনসমূহেই কয় যে ভাৰতবৰ্ষত মুছলমানৰ জনসংখ্যা ইমান কোবেৰে বাঢ়িছে যে অচিৰেই ‘হিন্দু’সকল সংখ্যালঘু হৈ যাব। ‘লুইতপৰীয়া সমাৱেশ’ৰ বাবে গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত তেওঁলোকে খাদ্য সংগ্ৰহ কৰিছে। এই সংগ্ৰহ কৰিবলৈ তেওঁলোকে হিন্দুসকলৰ ঘৰে ঘৰে গৈছে। মুছলমান, খ্ৰীষ্টান আদি বাদ। অৰ্থাৎ সুযোগ বুজি তেওঁলোকে হিন্দু শব্দটো বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰে। কৰ্মকাণ্ডৰ মাজেৰে আৰ এছ এছ নেতৃত্বাধীন সংঘ পৰিয়ালে কেৱল ‘হিন্দু’ ধৰ্মাৱলম্বী আৰু ‘হিন্দী’ ভাষাৰহে পোষকতা কৰে। এই আদৰ্শ ভাৰতবৰ্ষৰ পৰম্পৰাৰো বিৰোধী, বাস্তৱতাৰো বিৰোধী। তেওঁলোকে সকলো হিন্দু ধৰ্মাৱলম্বীৰ স্বাৰ্থ, মানসিকতা একেই বুলি ভাবে। ভাবে বাবেই অসমলৈ বাংলাদেশ বা অন্যান্য দেশৰ পৰা হিন্দু অহাৰ অনুমতি দিলে ৰাজ্যখনত কি প্ৰতিক্ৰিয়া হ’ব পাৰে সেয়া হিচাপেই কৰিব নোৱাৰিলে। বিপুল মুছলমান জনসংখ্যা থকা ৰাজ্যখনত হিন্দু বৃদ্ধিৰ যিকোনো প্ৰস্তাৱেই ইয়াত থকা হিন্দুসকলে আদৰি ল’ব, এনে এক চিন্তাৰে পৰিচালিত আৰ এছ এছ-বিজেপিৰ মানসিক সীমাবদ্ধতা কিমান, তাক সহজে ধাৰণা কৰিব পাৰি। গতিকে মোহন ভাগৱতৰ মুখত যি বিবিধতাৰ কথা শুনা গৈছে সেয়া বিবিধ জনগোষ্ঠীক ‘হিন্দুত্ব’ৰ ছত্ৰছায়ালৈ অনাৰ কৌশলহে, বিবিধতাৰ প্ৰতি সন্মান নহয়।

গতিকে ‘হিন্দুত্ব’ৰ ধাৰণাৰ সৈতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষীৰ মানুহৰ আশা-আকাংক্ষাৰ এটা দ্বন্দ্ব সদায় বিৰাজমান। এনে এটা দ্বন্দ্ব তল পেলাই ৰাখিবলৈ আৰ এছ এছ, বিজেপি আৰু সংঘীয় আন আন সদস্যবোৰে কৌশল অৱলম্বন কৰিবলগীয়া হৈছে। তাৰ ভিতৰত অন্যতম হৈছে মুছলমান ভীতি আৰু মুছলমানবিৰোধী ঘৃণা জাগ্ৰত কৰা। শতাংশ হিচাপত জম্মু আৰু কাশ্মীৰৰ পাছত অসমতে মুছলমানৰ শতাংশ সৰ্বাধিক, ৩৪ শতাংশৰো অধিক। যোৱা দশককেইটাত মুছলমানৰ শতাংশ ৰাজ্যখনত বৃদ্ধিও পাইছে। এই জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ হৈছে ৰাজ্যখনৰ মুছলমানসকল— বিশেষকৈ পূৰ্ববংগীয় মুছলমানসকলৰ আৰ্থ-সামাজিক-শৈক্ষিক অনগ্ৰসৰতা। সেয়ে ইয়াৰ সমাধান হ’ব পাৰে এই অনগ্ৰসৰতা আঁতৰ কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ মাজেৰে। কিন্তু এই সত্যক ঢাকি ৰাখি মুছলমানৰ পৰিকল্পিত আগ্ৰাসনৰ এক তত্ত্ব বিজেপি-আৰ এছ এছে অনবৰতঃ প্ৰচাৰ কৰি আছে। সাধাৰণ ধৰ্মপ্ৰাণ হিন্দুসকলৰ মাজত এনে অপপ্ৰচাৰে বিভ্ৰান্তি বিয়পোৱাটো স্বাভাৱিক। গতিকে বিজেপিৰ চূড়ান্ত ব্যৰ্থতা, বিশ্বাসঘাতকতা, অপদাৰ্থতা ঢাকি ৰখাৰ এক সহজ কৌশল মুছলমানৰ অসম দখল অভিযানৰ কাহিনীটো বাৰে বাৰে প্ৰচাৰ কৰি থকা।

বিজেপিয়ে অনুসৰণ কৰা আন এক কৌশল হ’ল দৰিদ্ৰ মানুহক টোপ দি নিজৰ লগত ৰখাৰ প্ৰচেষ্টা। এইক্ষেত্ৰত অৱশ্যে তেওঁলোকে কোনো অভিনৱত্বৰ দাবী কৰিব নোৱাৰে। দীৰ্ঘদিন ধৰি কংগ্ৰেছে এই কৌশলেই ব্যৱহাৰ কৰি আহিছে। বিজেপিয়ে এতিয়া কংগ্ৰেছৰ পৰা নেতা আমদানি কৰাৰ দৰে কৌশলো আমদানি কৰিছে। তেওঁলোকৰ সমুখত আশু লক্ষ্য হ’ল পঞ্চায়ত নিৰ্বাচন। গতিকে পঞ্চায়তৰ আঁচনিসমূহৰ হিতাধিকাৰীসমূহ নিৰ্বাচন কৰাত বিজেপি দল প্ৰত্যক্ষভাৱে নামি পৰিছে। নিৰ্বাচিত পঞ্চায়তসমূহক বুঢ়া আঙুলি দেখুৱাই পঞ্চায়ত আৰু চৰকাৰী আঁচনিসমূহৰ ধন বিতৰণ আৰু হিতাধিকাৰী নিৰ্বাচনৰ কৰ্তৃত্ব কাৰ্যতঃ বিজেপিৰ জিলা, মণ্ডল আৰু আঞ্চলিক কমিটিবোৰে হস্তগত কৰিছে। অৱশ্যে পঞ্চায়তসমূহ এনেয়েও চৰকাৰখনে গুৰুত্বহীন কৰি পেলাইছে। ২৯টা বিভাগ পঞ্চায়তসমূহলৈ হস্তান্তৰ কৰিছিল। কিন্তু নিৰ্বাচিত পঞ্চায়তৰ সলনি আমোলাসকলেহে এই ক্ষমতা ব্যৱহাৰ কৰি আছে। আৰু আমোলাসকলৰ জৰিয়তে বিজেপিৰ নেতা-পালিনেতাসকল ৰাজনৈতিক পক্ষপাতিত্ব আৰু স্বজন-তোষণৰ নীতি নিৰ্বিঘ্নে ৰূপায়ণ কৰিব ধৰিছে। ইয়াৰ দ্বাৰা তেওঁলোকে নিজৰ এই বহল গণভিত্তি সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে।

এই অনৈতিক পদ্ধতি ব্যৱহাৰ কৰাত বাদে বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ হাতত অইন কোনো উপায়ো নাই। যিবোৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিছিল, এটাও এইখন চৰকাৰে পূৰণ কৰা নাই। কথা আৰু কামৰ সামান্যও মিল নাই। অসমৰ লাখ লাখ কৃষকে ভোট দি বিজেপি নেতৃত্বাধীন মিত্ৰগোষ্ঠীক ক্ষমতাত বহুৱাইছে। কিন্তু কৃষকৰ প্ৰতি এইখন চৰকাৰৰ দৃষ্টিভংগী কি? তৰুণ গগৈ চৰকাৰৰ দিনতে প্ৰস্তুত কৰা অসম ‘মানৱ উন্নয়ন প্ৰতিবেদন ২০১৪’ (Assam Human Development Report 2014)খন প্ৰকাশ কৰিছে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰে। এই প্ৰতিবেদনত প্ৰকাশ হৈছে যে বৰ্তমান অসমত খেতি-মাটি নথকা (No cultivable land) খেতিয়ক পৰিয়ালৰ সংখ্যা হৈছে ৪৮.৫ শতাংশ। আনহাতে যিসকলৰ খেতি-মাটি আছে তেওঁলোকৰ ৮৪.৩ শতাংশ হৈছে উপান্ত (marginal)। জাতি-মাটি-ভেটিৰ শ্লোগানেৰে ক্ষমতা দখল কৰা চৰকাৰখনৰ প্ৰথম কাম আছিল ভূমিহীন, উপান্ত বা ক্ষুদ্ৰ খেতিয়কসকলৰ জীৱনৰ অৱস্থা উন্নয়নৰ বাবে অগ্ৰাধিকাৰভিত্তিত পৰিকল্পনা আৰু আঁচনি প্ৰস্তুত কৰা। কিন্তু ক্ষমতালৈ অহাৰে পৰা চৰকাৰখনৰ শ্লোগান হৈছে উচ্ছেদ আৰু উচ্ছেদ। বনাঞ্চল, ৰিজাৰ্ভ, চৰকাৰী মাটি বেদখলৰ অভিযোগত ইতিমধ্যে কেইবা হেজাৰ পৰিয়ালৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাইছে। অথচ এইখন চৰকাৰেই গঠন কৰি দিয়া হৰিশংকৰ ব্ৰহ্ম কমিটিৰ প্ৰাথমিক প্ৰতিবেদনত উল্লেখ কৰিছে যে ১৯৬৫ চনৰ পৰা ৰাজ্যখনত মাটিৰ জৰীপ হোৱা নাই। এই প্ৰতিবেদন পোৱাৰ পাছতো চৰকাৰে জৰীপ আৰম্ভ কৰাৰ কোনো উমঘাম নাই। অথচ একেখন হৰিশংকৰ ব্ৰহ্ম কমিটিৰ কেতবোৰ মন্তব্যৰ আলম লৈ চৰকাৰখনে কেৱল ‘সন্দেহযুক্ত বিদেশী’ৰ বিৰুদ্ধেই নহয়, সকলো জনগোষ্ঠীৰ গৰিব জনসাধাৰণৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱাৰ বাবে তৎপৰ হৈ পৰিছে।অথচ একেখন চৰকাৰেই বৃহৎ ব্যৱসায়ী, পুঁজিপতিসকলক মাটি দিবলৈ প্ৰদৰ্শন কৰিছে যুদ্ধকালীন তৎপৰতা। ৰামদেৱৰ মালিকানাৰ পতঞ্জলি প্ৰতিষ্ঠানক চাৰি হেজাৰ বিঘাৰো অধিক মাটি চমজাই দিবলৈ অকণো সময় নালাগিল। কৃষক ৰাইজৰ মতামত নোলোৱাকৈ এটা নিৰ্দেশ জাৰি কৰি গুৱাহাটীৰ পৰা টিহুলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে আধা কিলোমিটাৰলৈকে মাটিৰ চৰিত্ৰ পৰিৱৰ্তন কৰি কৃষিভূমিৰ পৰা অ-কৃষিভূমি হিচাপে চিহ্নিত কৰিছে। ইয়াৰ পৰিণতি কৃষকৰ বাবে কেনেকুৱা হ’ব, অঞ্চলটোৰ কৃষি পৰিৱেশৰ ওপৰত কি প্ৰভাৱ পৰিব, সেইবোৰ মূল্যাংকন কৰা হ’ল জানো? এইখন চৰকাৰেই গুৱাহাটী মহানগৰ সম্প্ৰসাৰণৰ নামত জনজাতীয় ব্লক ভাঙি দিবলৈ উদ্যত হৈছে।

৮৬ শতাংশ মানুহ য’ত গ্ৰামাঞ্চলত বাস কৰে, ৭০ শতাংশ মানুহ য’ত কৃষিৰ সৈতে জড়িত সেইখন ৰাজ্যত কৃষি উন্নয়নেই যে ‘জাতি’ৰ উন্নয়নৰ চাবি-কাঠী তাক ব্যাখ্যা নকৰিলেও হয়। এই অংশৰ মানুহক উদ্দেশ্যি অসমৰ প্ৰতিখন ৰাজহ গাঁৱৰ বিকাশৰ লক্ষ্য ঘোষণা কৰি সোণোৱাল নেতৃত্বাধীন চৰকাৰে মুখ্যমন্ত্ৰীৰ ‘মেগা মিছন’ আৰম্ভ কৰিছে। ভোটাৰক আকৰ্ষণ কৰিব পৰা নানা আঁচনি ইয়াৰ অন্তৰ্গত। কিন্তু গাঁওবোৰৰ সংখ্যাধিক্য অধিবাসী কোন? ভূমিহীনসকলৰ কথা বাদেই দিলো, ৮৪.৩ শতাংশ উপান্ত, ১২.৩ শতাংশ উপান্ত খেতিয়ক। এই ৯৬.৬ শতাংশ খেতিয়কৰ মূল প্ৰয়োজন কি? বিনামূলীয়া সাৰ, বীজ, ট্ৰেক্টৰেৰে মাটি চহাই দিয়াৰ ব্যৱস্থা। কিন্তু বিজেপি চৰকাৰে কংগ্ৰেছৰে পদাংক অনুসৰণ কৰি সাৰ, বীজ আদি ক্ৰমাৎ মহাৰ্ঘহে কৰি গৈছে। ট্ৰেক্টৰৰ বাবে ৰাজসাহায্য দিয়াৰ যি আঁচনি লোৱা হৈছে, এই অংশৰ খেতিয়কে তাৰ সুযোগ ল’ব পাৰিবনে? চৰকাৰী পৰিসংখ্যা অনুসৰিয়েই অসমত ৮৯.৫ শতাংশ মাটিত জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই। অথচ এইখন চৰকাৰে দুবাৰকৈ উত্থাপন কৰা বাজেটত জলসিঞ্চন শিতানত ধন ব্যয় হ্ৰাসহে কৰিছে।

চাহ বাগিচাবোৰত কংগ্ৰেছক স্থানচ্যুত কৰি বিজেপিৰ ৰাজনৈতিক আধিপত্য প্ৰতিষ্ঠাহে চৰকাৰখনৰ বৰমূৰীয়াসকলৰ একমাত্ৰ লক্ষ্য। তাৰ বাবে চাহ শ্ৰমিকসকলৰ প্ৰতিটো যন্ত্ৰণাকে ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰিবলৈ তেওঁলোকৰ চেষ্টাৰ ত্ৰুটি নাই। কিন্তু তেওঁলোকে কৰিছে কি? নানা অজুহাতত চাহ শ্ৰমিকসকলৰ বাবে নিৰ্ধাৰিত দৈনিক ন্যূনতম মজুৰি ১৭৭.১৯ টকাও আদায় দিয়াৰ ব্যৱস্থা কৰা নাই। বাগিচাবোৰত স্থায়ী শ্ৰমিকৰ সংখ্যা ক্ৰমাৎ সংকোচন, বাগিচা অধ্যুষিত অঞ্চলবোৰত নিবনুৱা সমস্যাৰ উদ্বেগজনক বৃদ্ধি, আদিবাসীসকলৰ মাজত ব্যাপক ভূমিহীনতা আদি লাঘৱ কৰাৰ বাবে সুপৰিকল্পিত অভিযানৰ প্ৰয়োজন হ’ব। এনেবোৰ বিষয়ক লৈ সামান্য পদক্ষেপ এটাও দিছেনে ‘আদিবাসী দৰদী’ চৰকাৰখনে?

২০১৪ চনৰ তুলনাত ২০১৫ চনত অসমত নতুন কৰ্মসংস্থান সৃষ্টি হৈছে মাত্ৰ ৬০,১৬১টা। অথচ এই বছৰটোতে নিবনুৱা পঞ্জীয়ন কেন্দ্ৰত নতুনকৈ নামভৰ্তি কৰিছে ২,৫১,৪৩৬জনে। ইয়াৰে ১,২৩,৩১৯জনেই হৈছে শিক্ষিত। দেখদেখকৈ ওলাই পৰিছে— কৰ্মসংস্থানহীনতাই অসমৰ এক বৃহত্তম সামাজিক সমস্যা। এই সমস্যা নিৰাময়ৰ বাবে চৰকাৰখনৰ ভূমিকা কি? কাৰ্যক্ষেত্ৰত একো নাই। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে যিদৰে চলিছিল, এইখন চৰকাৰো তেনেদৰেই চলি আছে। অসমৰ কৰ্মসংস্থান সৃষ্টি কৰিবলৈ হ’লে কৃষিজগতত আমূল পৰিৱৰ্তনৰ লগে লগে শিল্পোদ্যোগৰ বিকাশো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ বাবে ৰাজহুৱা বিনিয়োগ খুবেই দৰকাৰী। কিন্তু বিজেপি চৰকাৰে তৈলখণ্ডত নিৰ্বিনিয়োজন, তৈলক্ষেত্ৰৰ নিলাম আদিৰ মাজেৰে নিজৰ দৃষ্টিভংগী দেখুৱাই দিছে। নতুনকৈ কাগজকল দুটা বন্ধ হ’ল, প্ৰায় যোল্লশ শ্ৰমিক-কৰ্মচাৰীৰ জীৱনলৈ প্ৰত্যক্ষভাৱে অন্ধকাৰ নামি আহিলে।

চমুকৈ ক’বলৈ হ’লে সৰ্বানন্দ সোণোৱাল চৰকাৰখনে পূৰ্বৰ কংগ্ৰেছ চৰকাৰখন আৰ্থিক নীতিবোৰৰপৰা অকণো আঁতৰি অহা নাই। বৰং এইখন চৰকাৰে বৃহৎ ব্যৱসায়ী পুঁজিপতিৰ মুনাফা বৃদ্ধিৰ সুযোগ সম্প্ৰসাৰিত কৰাৰ বাবে অধিক সক্ৰিয় আৰু বেপৰোৱা। বিজেপিৰ বৰমূৰীয়া আৰু দলটোৰ নিয়ন্ত্ৰক আৰ এছ এছে এই কথা ভালদৰেই বুজিছে যে মানুহৰ মাজত এইবোৰক লৈ বিক্ষুব্ধতা ক্ৰমাৎ বাঢ়িছে আৰু বাঢ়িব। তেনেহ’লে জনমত নিজৰ পক্ষে ৰখাৰ উপায় কি? উপায় দুটাই— সাম্প্ৰদায়িক চিন্তা-ভাৱনাক আৰু তীব্ৰ কৰা আৰু ভোটাৰক সন্তুষ্ট কৰাৰ বাবে চৰকাৰী আঁচনিবোৰৰ ৰাজনীতিকীকৰণ। ইয়াৰ উপৰি আছে বিভিন্ন জনগোষ্ঠীৰ প্ৰভাৱশালী নেতাবোৰক বিপুল ধনেৰে নিজৰফলীয়া কৰা। কিন্তু এই কৌশলৰো অৱশ্যে সীমাবদ্ধতা আছে। নহ’লে কংগ্ৰেছ ক্ষমতাচ্যুত হ’ল কিয়?

সেয়েহে অসমৰ বৰ্তমান পৰিস্থিতিয়ে বিকল্প নীতিৰ ভিত্তিত শক্তিশালী বিকল্প গঢ়ি তোলাৰ আশু প্ৰয়োজনীয়তা পুনৰ তুলি ধৰিছে। এই বিকল্পৰ লক্ষ্য হ’ব লাগিব ৰাজ্যখনৰ কৃষিজগতৰ বিপুল উন্নয়ন, শিল্পোদ্যোগৰ ব্যাপক সম্প্ৰসাৰণ আৰু কৰ্মসংস্থান সৃষ্টিৰ ফলপ্ৰসু আঁচনি। এই সকলোবোৰৰ মাজেৰে জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব পাৰিব লাগিব। এনে এক বিকল্পৰ বাবে যুঁজ কৰিবলৈ হ’লে জনসাধাৰণৰ ঐক্য প্ৰাথমিক চৰ্ত। বিজেপিয়ে ৰাজ্যখনৰ হিন্দু-মুছলমান-খ্ৰীষ্টান, অসমীয়া-বাঙালী, জনজাতি-অজনজাতি সকলোবোৰৰ মাজত বিভাজন আৰু অনৈক্যৰ ৰাজনীতি প্ৰসাৰিত কৰিবলৈ উঠি-পৰি লাগিছে। এই ৰাজনৈতিক অভিসন্ধিত ভৰি নিদি কিদৰে সকলো জনগোষ্ঠীক ঐক্যবদ্ধ হোৱাৰ প্ৰয়োজনীতা উপলব্ধি কৰাব পাৰি তাৰ ওপৰতে বিকল্প ৰাজনৈতিক সমাৱেশৰ সাফল্য নিৰ্ভৰ কৰিব। ৪, ৫ আৰু ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত চি পি আই (এম)ৰ অসম ৰাজ্যিক সন্মিলনে নিশ্চয় ৰাজনৈতিক আৰু সাংগঠনিক এক বিকল্প উদ্ভাৱনত মনোনিৱেশ কৰিব।


সাপ্তাহিক
গণশক্তি
লিখক, পঢ়ক, পঢ়ুৱাওক
গ্ৰাহকৰ বৰঙণি
বছৰেকীয়া - ২৫০ টকা
ছমহীয়া - ১২৫ টকা
প্ৰয়োজনীয় কপিৰ বাবে যোগাযোগ কৰক
মেনেজাৰ, সাপ্তাহিক গণশক্তি
৪৫ পি ডি চলিহা পথ, হেদায়েৎপুৰ,
গুৱাহাটী-৭৮১ ০০৩

# জীৱন বীমা শিল্প জাতীয়কৰণ দিৱস পালন

গুৱাহাটী বিভাগীয় বীমা কৰ্মজাৱী সমিতি (জি ডি আই ই এ)ৰ উদ্যোগত যোৱা ১৯ জানুৱাৰীত 'জীৱন বীমা শিল্প জাতীয়কৰণ দিৱস' উদযাপন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে জি ডি আই ই এৰ অন্তৰ্গত আটাইবোৰ শাখা কমিটিয়ে বেজ পৰিধান আৰু দুপৰীয়া বিৰতিত গেট মিটিং অনুষ্ঠিত কৰে। ভাৰতীয় জীৱন বীমা নিগমৰ গুৱাহাটী সংমণ্ডলৰ মাণ্ডলিক কাৰ্যালয়ৰ প্ৰাংগণত এই উপলক্ষে অনুষ্ঠিত সভাত জি ডি আই ই এৰ সাধাৰণ সম্পাদক পীতাম্বৰ ৰাজভাণ্ডাৰী, উপ-সভাপতি ভবেন্দ্ৰ কুমাৰ কলিতা আৰু পেন্সনাৰ্ছ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক শম্ভু দত্তই বক্তব্য ৰাখে। বহুসংখ্যক কৰ্মচাৰীৰ উপস্থিতিত বক্তাসকলে উল্লেখ কৰে যে ১৯৫৬ চনৰ আজিৰ দিনটোত সেই সময়ৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী চি ডি দেশমুখে অধ্যাদেশৰ জৰিয়তে ভাৰতবৰ্ষৰ জীৱন বীমা ব্যৱসায় ৰাষ্ট্ৰীয়কৰণৰ ঘোষণা কৰে। পৰৱৰ্তী সময়ত ১ ছেপ্টেম্বৰ, ১৯৫৬ চনত মুঠ ২৪৫টা ব্যক্তিগত কোম্পানীৰ লুটৰাজৰ অন্ত পেলাই ভাৰতীয় জীৱন বীমা নিগম (এল আই চি অব ইণ্ডিয়া) গঠন হয়। ইয়াৰ পাছত সুদীৰ্ঘ ছটা দশকত ভাৰতীয় জীৱন বীমা নিগমে অতুলনীয় দক্ষতাৰে গ্ৰাহকৰ সেৱা আগবঢ়াই ৰাইজৰ আস্থা অৰ্জন কৰিবলৈ সক্ষম হৈছে আৰু ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ১৯৯৯ চনত আই আৰ ডি এ গঠনৰ মাজেৰে জীৱন বীমা শিল্প ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰি দিয়া হয় যদিও সদৌ ভাৰত বীমা কৰ্মচাৰী সমিতিৰ নিৰলস আৰু তীব্ৰ সংগ্ৰামৰ বাবে আজি পৰ্যন্ত ভাৰতীয় জীৱন বীমা নিগমক ব্যক্তিগতকৰণ কৰিবলৈ সক্ষম হোৱা নাই আৰু ২৩টা ব্যক্তিগত বীমা কোম্পানীক চেৰ পেলাই বীমা বজাৰৰ সিংহভাগ ব্যৱসায় দখলত ৰাখিবলৈ সক্ষম হৈছে। সভাত জীৱন বীমা নিগমৰ অগ্ৰগতিৰ ধাৰা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত সংগঠনক অধিক শক্তিশালী কৰাৰ বাবে বক্তাসকলে আহ্বান জনায়।

**প্ৰতিবেদক ঃ** পীতাম্বৰ ৰাজভণ্ডাৰী


## যুৱ প্ৰবাহ প্ৰকাশনৰ প্ৰকাশিত কেইখনমান গুৰুত্বপূৰ্ণ অনুবাদ গ্ৰন্থ



**মাৰ্ক্সবাদ ঃ বিপ্লৱৰ বিজ্ঞান**
**সীতাৰাম য়েচুৰি**
**শুধাংশু দাসগুপ্ত**
**অনুবাদ ঃ ৰিতুৰঞ্জন দাস, সংগীতা দাস**
**মূল্য ঃ ৩০ টকা**

**এই গ্ৰন্থসমূহ নৱযুগ ষ্টলৰ পৰা ক্ৰয় কৰিব পাৰিব**


৫ পৃষ্ঠাৰ পৰা...

# সংগ্ৰামী সতীৰ্থ বিপিন হাজৰিকা

পাৰ্টিৰ নেতা গোলাপ বৰবৰা আছিল মুখ্যমন্ত্ৰী। আমাৰ দলৰ নিৰ্বাচিত ১১জন সদস্য আৰু আমাৰ দলৰ সমৰ্থিত নিৰ্দলীয় সদস্য এজনে গোলাপ বৰবৰা মন্ত্ৰীসভাক বাহিৰৰ পৰা সমৰ্থন জনাইছিল। চৰকাৰখন বেছিদিন নিটিকিল। ১৯৭৯জন জনতা পাৰ্টিৰ ১৭জন সদস্যই দলত্যাগ কৰাত বৰবৰা চৰকাৰৰ পতন হয়। তাৰ পাছত কংগ্ৰেছ আৰু চি পি আইৰ সমৰ্থনত যোগেন হাজৰিকাৰ নেতৃত্বত এখন সংখ্যালঘু চৰকাৰ গঠিত হয়। সেই সময়তে আৰম্ভ হয় তথাকথিত বিদেশী বিতাৰণ আন্দোলন। এই আন্দোলনে যোগেন হাজৰিকাৰ চৰকাৰক অচল কৰাত স্বাধীনোত্তৰ অসমত প্ৰথম ৰাষ্ট্ৰপতিৰ শাসন আৰম্ভ হয়। ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত আন্দোলন তীব্ৰ হয়। আন্দোলনকাৰীয়ে আমাৰ দলৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰিছিল। বিধায়ক ঘেৰাও আন্দোলনৰ সময়ত আমি মুক্তভাৱে চলা ফিৰা কৰিব নোৱাৰা হৈছিলো। ৰাজ্যখনৰ বহু ঠাইত আমাৰ দলৰ কৰ্মীক নানা ধৰণে নিৰ্যাতন কৰা হৈছিল। আন্দোলনৰ কালছোৱাত আমাৰ দলৰ ৫০জন সদস্যই আন্দোলনকাৰীৰ হাতত প্ৰাণ হেৰুৱাইছিল।

১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈ অসমত তিনিবাৰ ৰাষ্ট্ৰপতি শাসন জাৰী কৰা হৈছিল। প্ৰথম দুবাৰ বিধানসভা ভংগ কৰা নাছিল। তৃতীয়বাৰ ১৯৮২ চনত বিধানসভা ভংগ কৰি ৰাষ্ট্ৰপতি শাসন জাৰী কৰা হয়। ৰাষ্ট্ৰপতি শাসনৰ অধীনতে ১৯৮৩ চনত নিৰ্বাচন হয়। আন্দোলনকাৰীসকলে এই নিৰ্বাচন বৰ্জন কৰিছিল।

১৯৭৮ চনৰ পৰা ১৯৮২ চনলৈ অসমত চাৰিগৰাকী মুখ্যমন্ত্ৰী হৈছিল— (১) গোলাপ বৰবৰা, (২) যোগেন হাজৰিকা, (৩) আনোৱাৰা টাইমুৰ আৰু (৪) কেশৱ চন্দ্ৰ গগৈ। অসমৰ ৰাজনৈতিক নজিৰ বিহীন ঘটনাৰ আমি সাক্ষী হৈ ৰ'লো।

এনে এক প্ৰতিকুল পৰিস্থিতিৰ মাজতো বিপিন হাজৰিকাসহ আমি সকলোৱে পাৰ্টিৰ ৰক্ত পতাকা অমলিন কৰি ৰাখো।

৪ পৃষ্ঠাৰ পৰা...

# ৰাছিয়া চাই আহিলো

যুৱ-ছাত্ৰ মহোৎসৱ অনুষ্ঠিত কৰে 'উফডি' (WFDY- World Federation of Democratic youth) নামৰ সংগঠনটোৱে। ই হ'ল বিশ্বৰ সাম্ৰাজ্যবাদ-পুঁজিবাদবিৰোধী আন্দোলনৰ এক বৃহত্তম মঞ্চ। এই মঞ্চৰ সদস্য-সংগঠনসমূহেহে মহোৎসৱলৈ প্ৰতিনিধি পঠিয়াব পাৰে। যিখন দেশত আনুষ্ঠিত হয় তেওঁলোকে কেৱল ব্যৱস্থাপনাৰ দায়িত্বহে পালন কৰে। কিন্তু ৰাছিয়াৰ পুটিন চৰকাৰে নিজৰ সীমা পাৰ হৈ WFDYৰ অভ্যন্তৰিণ কাম-কাজত হস্তক্ষেপ কৰিবলৈ লয়। ১৩ অক্টোবৰত বিশ্বৰ সকলো যুৱ-ছাত্ৰ সংগঠনৰ নেতৃবৃন্দ ৰাছিয়াত উপস্থিত হোৱাৰ পাছত চৰকাৰৰ লগত সংঘাত আৰম্ভ হয়। ইতিমধ্যে বিভিন্ন দেশৰ প্ৰতিনিধিক অযোগ্য ঘোষণা কৰি আৰু কিছু প্ৰতিনিধিক পুটিন চৰকাৰে নিজাববীয়াকৈ আমন্ত্ৰণ দিয়া কাৰ্যত সংগঠনসমূহ বহু পৰিমাণে ক্ষুণ্ণ হৈ পৰিছিল। সকলো নেতৃবৃন্দ ৰছিয়াত উপস্থিত হোৱাৰ পাছত এই ক্ষোভ প্ৰতিবাদৰ ৰূপ লয়, যাৰ বাবে ১৯সংখ্যক বিশ্ব যুৱ-ছাত্ৰ মহোৎসৱৰ উদ্বোধনী কাৰ্যসূচী ১৪ অক্টোবৰত অনুষ্ঠিত কৰিবলৈ নোৱাৰিলে। বিশ্ব যুৱ-ছাত্ৰ নেতাসকলৰ হেঁচাত পুটিন চৰকাৰে কিছু পিছ হোহকিবলৈ বাধ্য হ'ল। সংগঠনসমূহে নিৰ্বাচন কৰা সকলো সদস্যকে প্ৰতিনিধি হিচাপে স্বীকৃতি দিবলৈ আয়োজকসকল বাধ্য হ'ল। ১৫ অক্টোবৰত উদ্বোধনী অনুষ্ঠান হ'ল। কিন্তু সেয়া চৰকাৰৰ পৰিকল্পনা মতেই হ'ল। ৰাষ্ট্ৰপতি পুতিনে উদ্বোধন কৰিলে ১৯সংখ্যক বিশ্ব যুৱ-ছাত্ৰ মহোৎসৱ। কিন্তু এই উদ্বোধনী অনুষ্ঠানলৈ বহু যুৱ-ছাত্ৰ নেতাই আমন্ত্ৰণ নাপালে। প্ৰতিনিধিসকলৰ ভিতৰত দুই-এজনেহে কিবাকৈ

যোৱাৰ অনুমতি পালে। ইয়াৰ বিপৰীতে পুটিন চৰকাৰৰ বিষয়ববীয়া, তেওঁলোকৰ অনুগামি ব্যক্তি আৰু চৰকাৰক সমৰ্থনকাৰী ৰাছিয়াৰ যুৱক-যুৱতীসকলক অনুষ্ঠানত থাকিবলৈ অনুমতি দিলে। কিন্তু ইয়াৰ পৰৱৰ্তী কাৰ্যসূচীসমূহ WFDYৰ সিদ্ধান্ত মতেই কৰা হ'ল।

বিশ্ব যুৱ-ছাত্ৰ মহোৎসৱৰ কাৰ্যসূচীসমূহ ১৫ অক্টোবৰৰ পৰা আৰম্ভ হ'ল। বৃহৎ অলিম্পিক ষ্টেডিয়ামৰ বাকৰিত বিশাল গৃহ মিডিয়া চেণ্টাৰত মূল কাৰ্যসূচীসমূহ আৰু বাহিৰত বিভিন্ন খেল-ধেমালি আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ অনুষ্ঠিত হয়। কৃষ্ণ সাগৰৰ পাৰত এই বিশাল ষ্টেডিয়ামসমূহত শীতকালিন অলিম্পিক অনুষ্ঠিত হৈছিল। অলিম্পিকক কেন্দ্ৰ কৰিয়ে সমূহ আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। নাতিদূৰত বিশাল বিশাল হোষ্টেলসমূহ। সাগৰৰ শীতল বতাহে কোবাই থকা এই ষ্টেডিয়ামৰ বাকৰিত ঠিয় হৈয়ে এক অনন্য অনুভূতি জাগৃত হয়। এফালে সাগৰীয় সেমেকা বতাহৰ প্ৰবাহ আনফালে বিশ্বৰ চঞ্চলা যৌৱনৰ প্ৰতিধ্বনিত প্ৰাণ পাই উঠে চোচিৰ অলিম্পিক নাগৰৰ সেউজীয়া দলিচা।

মিডিয়া চেণ্টাৰ গৃহৰ ঠাহ খাই পৰিছে বিশ্বৰ ১৯২ খন দেশৰ তৰুণ-তৰুনী। প্ৰতিদিনে ৫০-৬০খনকৈ চেমিনাৰ। নানা বিষয়ৰ প্ৰদৰ্শনী, বাকৰিত কলা-সৃষ্টিৰ প্ৰদৰ্শনে জাত-পাত-ভাষা-ধৰ্ম, ৰঙৰ ভিন্নতাক একাকাৰ কৰি ৰূপ দিছে এক মানৱীয় সমাজৰ। চেমিনাৰ সমুহত বিভিন্ন বিষয় সাঙুৰি লোৱা হৈছিল। শিক্ষা, স্বাস্থ্য, পৰিৱেশ, উদ্যোগিকৰণ, তথ্য-প্ৰযুক্তি, আধুনিক নগৰায়ন, ৰবট, নেনো টেকনোলজিৰ উপৰি সাহিত্য-সংস্কৃতি, ভাষা, মহিলাৰ সমস্যা, বিশেষভাৱে সক্ষম সকলৰ সমস্যা, জনজাতিসকলৰ সম্পদৰ অধিকাৰ আদি বিষয় সমুহক লৈ অনুষ্ঠিত হৈছিল পৃথক পৃথককৈ চেমিনাৰ। বিশ্বত চলি থকা সাম্ৰাজ্যবাদৰ পুঁজিবাদৰ শোষণ-নিৰ্যাতন, দেশে দেশে চলাই থকা পুঁজিবাদ সাম্ৰাজ্যবাদৰ বিৰোধী আন্দোলনৰ অভিজ্ঞতা, সন্ত্ৰাসবাদৰ সমস্যা, সমাজবাদী দেশ কিউবা-ভেনেজুৱেলাৰ প্ৰতি সংহতি দিৱস, ভাৰতবৰ্ষৰ গোবিন্দ পানেচাৰে, ডাভলকাৰ, কালবুৰ্গি আৰু গৌৰী লংকেশৰ পৰিয়াললৈ সমবেদনা জনাবলৈ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীসমূহত বিশ্বৰ যুৱ-ছাত্ৰ নেতাসকলে সমল ব্যক্তি হিচাপে বক্তব্য দাঙি ধৰাৰ লগতে নিজ দেশৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। বক্তাসকলে সাম্ৰাজ্যবাদ আৰু পুঁজিবাদী নীতিৰ ফলত কেনেকৈ অগণন শিক্ষা-স্বাস্থ্যৰ পৰা বঞ্চিত হৈছে, খোৱাপানী, খাদ্যৰ পাৰ অভাব বিশ্বৰ কোটি কোটি মানুহক মৃত্যুৰ মুখলৈ ঠেলিছে তাৰ সুন্দৰভাৱে বৰ্ণনা কৰে আৰু সাম্ৰাজ্যবাদ পুঁজিবাদৰ বিৰুদ্ধে দেশে দেশে সংগ্ৰাম তীব্ৰতৰ কৰিবলৈ আহ্বান দিয়ে। ১৯সংখ্যক যুৱ ছাত্ৰ মহোৎসৱৰ সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ বিৰুদ্ধে আন্দোলন তীব্ৰতৰ কৰাৰ আহ্বানেৰেই সামৰণি পৰে।

প্ৰদৰ্শনি অনুষ্ঠানত যুৱ বিজ্ঞানীৰ ৰবট, নগৰায়নৰ নক্সা, চিকিৎসা বিজ্ঞানৰ অস্ত্ৰোপচাৰৰ ডেমো, মেট্ৰ' ৰেলৰ নমুনা, ক্লুনিং পদ্ধতি জলকীয়া, শাক-পাচলিৰ খেতি আদি প্ৰদৰ্শন কৰা হয়। (আগলৈ)


সাপ্তাহিক **গণশক্তি** এজেণ্টসকলৰ প্ৰতি

**প্ৰতিমাহৰ বিল পৰৱৰ্তী এমাহৰ ভিতৰত পৰিশোধ কৰিব লাগিব। অন্যথা জাননী নিদিয়াকৈ এজেন্সী বন্ধ কৰা হ'ব। প্ৰতিটো বৰ্ধিত কপীৰ বাবে ত্ৰিছ টকাকৈ আগধন জমা দিব লাগিব। এজেন্সীবোৰৰ কপী হ্ৰাস/বৃদ্ধি মাহৰ প্ৰথম সপ্তাহৰ পৰা কাৰ্যকৰী হ'ব। গণশক্তিখন সঠিকভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত আপোনালোকৰ সকলোধৰণৰ সহায়-সহযোগিতা কামনা কৰিলো।**

**মেনেজাৰ, সাপ্তাহিক গণশক্তি**
৪৫ পি ডি চলিহা পথ, হেদায়েৎপুৰ, গুৱাহাটী-৭৮১ ০০৩

# বানত ক্ষতিগ্ৰস্ত ধেমাজি জিলাৰ ৰাস্তা-ঘাট পুনৰ নিৰ্মাণৰ দাবীত ডি ৱাই এফ আইৰ স্মাৰকপত্ৰ

বানে জুৰুলা কৰা ধেমাজিৰ জ্বলন্ত সমস্যা সমাধান নকৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে ডি ৱাই এফ আইৰ ধেমাজি জিলা কমিটিয়ে। যোৱা ৩১ ডিচেম্বৰত কামচিত বহা জিলাৰ বৰ্ধিত বৈঠকে জিলাখনৰ জ্বলন্ত সমস্যা বিশেষকৈ বানে ক্ষতিগ্ৰস্ত কৰা ৰাস্তা-দলং, বিশুদ্ধ খোৱাপানীৰ সমস্যা, এম জি এনৰেগা আঁচনি সঠিকভাৱে ৰূপায়ণ কৰা, জিলাৰ সকলো গাঁৱতে বিদ্যুতৰ সংযোগ দিয়া, প্ৰাথমিক স্বাস্থ্য আৰু উপ-স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক আৰু ঔষধৰ যোগান নিয়মীয়া কৰা, ধেমাজি নগৰৰ কৃত্ৰিম বান সমস্যাৰ সমাধান কৰা আৰু নগৰখনৰ উন্নয়ন আদি সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি গভীৰ উদ্বেগ প্ৰকাশ কৰে। জিলা কমিটিৰ সিদ্ধান্তমৰ্মে ৯ জানুৱাৰীত জিলা উপায়ুক্তক সাক্ষাৎ কৰি দাবী সম্বিলিত স্মাৰকপত্ৰ প্ৰদান কৰা হয়। অতি পৰিতাপৰ কথা যে যোৱাটো বানত জিলাখনৰ ধন-জনৰ লগতে গো-বাদি পশুৰ বিস্তৰ ক্ষতি হয়। ৰাস্তা-ঘাট ভাঙি-চিঙি যোগাযোগ ব্যৱস্থাৰ বিস্তৰ ক্ষতি হয়। বানপানী সময়ত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে পৰ্যাপ্ত সাহায্য দিয়াৰ আশ্বাস দিছিল, কিন্তু আজিলৈ এই অঞ্চলৰ উন্নয়নৰ বাবে এটকাও নিদিলে। অকল ৰাস্তা-ঘাটেই নহয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপস্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক, স্বাস্থকৰ্মী আৰু ঔষধ-পাতি অবিহনে তথৈবচ হৈ পৰিছে। জিলাখনত বিশুদ্ধ খোৱাপানীৰ সমস্যাটো এটা ডাঙৰ সমস্যা হিচাপে দেখা দিছে। অথচ চৰকাৰ বা স্থানীয় প্ৰশাসনৰ এই ক্ষেত্ৰত কোনো বাস্তৱ সন্মত পদক্ষেপ নাই।

জিলা নেতাদ্বয় কৈলাশ চিৰিং আৰু বিপুল বৰুৱা নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰি দাবীসমূহ কাৰ্যকৰী নকৰি শীঘ্ৰে আন্দোলনৰ কাৰ্যসূচী লোৱা হ'ব বুলি ঘোষণা কৰে।

উল্লেখনীয় যে ৩১ তাৰিখে সন্ধিয়া ডি ৱাই এফ আইৰ নিলখ আঞ্চলিক কমিটিৰ উদ্যোগত তাৰণি পথাৰ এক শিক্ষা শিৱিৰ অনুষ্ঠিত হয়। জুৰি বৰবৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত শিক্ষা শিবিৰত পাঠদান কৰে ৰাজ্যিক যুটীয়া সম্পাদক ৰিতুৰঞ্জন দাসে। শিক্ষাশিবিৰত জিলা নেতা কৈলাস চিৰিং আৰু বিপুল বৰুৱাই চমু আলোচনা কৰে। আনহাতে ১ জানুৱাৰীৰ সন্ধিয় কামচি গাঁৱতো এখন সাধাৰণ সভা অনুষ্ঠিত হয়।

**প্ৰতিবেদক ঃ** বিপুল বৰুৱা

# কৃষক সভাৰ উদ্যোগত সোণাপুৰত যৌথ বিক্ষোভ

যোৱা ২৯ ডিচেম্বৰত কামৰূপ মাহনগৰ জিলা কৃষক সভা, চিটু, এছ এফ আই সোণাপুৰস্থ জে চি টি ইউ শাখাৰ উদ্যোগত অসমৰ বান আৰু খহনীয়া সমস্যাৰ সমাধান কৃষকৰ উৎপাদিত ফচলৰ উচিত দাম, কৃষক উচ্ছেদ বন্ধ কৰা, মূল্যবৃদ্ধি ৰোধ কৰা, সুলভ মূল্যত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰা, ভুমীহীনক ভূমি আৰু পট্টাহীনক পট্টা দিয়া আদিৰ দাবীত সোণাপুৰস্থ কৃষক সভাৰ কাৰ্যালয়ৰ সন্মুখত সমৱেত হয় আৰু দিনৰ ১২ বজাত ফ্লেগ, ফেষ্টুন, বেনাৰসহ বিভিন্ন মুখৰিত শ্লোগানে মিচিল কৰি গৈ সোণাপুৰ ৰাজহচক্ৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত সভা অনুষ্ঠিত কৰে। সভাত বক্তব্য ৰাখে চি পি আই (এম) কামৰূপ মহানগৰ জিলাৰ সম্পাদক শতঞ্জীৱ দাস, কৃষক সভাৰ ৰাজ্যিক সম্পাদক টিকেন দাস, চিটুৰ ভোলা শৰ্মা, জে চি টি ইউৰ ভূৱনেশ্বৰ বৰুৱাকে ধৰি নেতৃবৃন্দই আন্দোলনৰ তাৎপৰ্য সম্পৰ্কত ব্যাখ্যা ৰখাৰ অন্তত কৃষক সভাৰ কামৰূপ মহানগৰ জিলা সম্পাদক প্ৰহ্লাদ কৰ্মকাৰে ৫ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ পাঠ কৰে আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ বাবে ৰাজহ চক্ৰ বিষয়াৰ হাতত অৰ্পণ কৰে। ৰাজহ চক্ৰ বিষয়াই এন আৰ চিৰ যাৱতীয় কাম-কাজ শেষ হোৱাৰ পাছত সমস্যাসমূহ আলোচনা কৰি সমাধান কৰাৰ বাবে সভা এখন আহবান কৰিব বুলি বক্তব্য আগবঢ়ায়।

**প্ৰতিবেদক ঃ** সন্ত বড়ো

সাপ্তাহিক
গণশক্তি
লিখক, পঢ়ক, পঢ়ুৱাওক

গ্ৰাহকৰ বৰঙণি
বছৰেকীয়া - ২৫০ টকা
ছমহীয়া - ১২৫ টকা
প্ৰয়োজনীয় কপিৰ বাবে যোগাযোগ কৰক
মেনেজাৰ, সাপ্তাহিক গণশক্তি
৪৫ পি ডি চলিহা পথ,
হেদায়েৎপুৰ, গুৱাহাটী-৭৮১ ০০৩

## নতুন সাহিত্য পৰিষদ বালিপৰা শাখাৰ উদ্যোগত

# বালিপৰাত জ্যোতি দিৱস উদযাপন

নতুন সাহিত্য পৰিষদ বালিপৰা শাখাৰ উদ্যোগত ১৭ জানুৱাৰীত ভোবোলা গাঁও যুৱ সংঘৰ সহযোগত শংকৰ-মাধৱ পুথিভঁৰাল প্ৰাংগণত জ্যোতি দিৱস পালন কৰা হয়। সমকালত সামাজিক পৰিকাঠামোৰ সৰ্বতোদিশত ৰূপান্তৰৰ প্ৰয়োজনীয়তাৰ উল্লেখেৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনবীক্ষাৰ প্ৰয়োজনৰ বিশ্লেষণেৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সভাপতি অধিবক্তা তপন দাসে। জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে গাঁওখনৰ বায়ন তথা প্ৰগতিশীল ব্যক্তি বুলেন চন্দ্ৰ দাসে। সভাত সভাপতিত্ব কৰে গাঁও উন্নয়ন সমিতিৰ অন্যতম সদস্য তথা বিশিষ্ট সমাজকৰ্মী পুৰন্দৰ দাসে। ইয়াৰ পাছত সভাত উদ্বোধনী জ্যোতি সংগীত পৰিৱেশন কৰে জোনমণি ডেকাই। বিশ্বায়নে গ্ৰাস কৰা নব্য উদাৰবাদৰ অৰ্থনৈতিক ব্যৱস্থাত স্বকীয় উন্নয়নৰ লগতে সামাজিক উন্নয়নৰ ক্ষেত্ৰত জ্যোতি প্ৰসাদ আগৰৱালাৰা প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰি আলোচনা আগবঢ়ায় জ্যেষ্ঠ শিক্ষক তথা সমাজসচেতন ব্যক্তি বলীন্দ্ৰ হলৈদেৱে আৰু 'নতুন সাহিত্য পৰিষদ, বালিপৰা শাখা'ৰ উপদেষ্টা জিলা সদস্য তথা শিল্পী ভদ্ৰ দত্তদেৱে। অনুষ্ঠানত সন্ধ্যাৰাণী চৰকাৰ, ধৃতিমান কাশ্যপ, অশীষ নাথ প্ৰমুখ্যেকৰি কেইবাগৰাকী ব্যক্তিয়ে জ্যোতিসংগীত পৰিৱেশন কৰাৰ লগতে ভাস্বতী দেৱীৰ দলে দলীয় জ্যোতি নৃত্য পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। ৰঞ্জন কুমাৰ দাসৰ স্বৰচিত কবিতা আবৃত্তি দিপশিখা বৰা, হিয়ামণি দাস, ধৃত্তিকা দাসৰ একক জ্যোতি নৃত্য, কেইবাগৰাকী শিশুৱে জ্যোতি প্ৰসাদৰ কবিতা আবৃত্তি কৰি সভাৰ সৌস্থৱ বৃদ্ধি কৰে। উল্লেখযোগ্য যে এই জ্যোতি দিৱসৰ কাৰ্যসূচীত অঞ্চলটোৰ প্ৰায় দুই শতাধিক লোকে শীতকো নেওচি অংশগ্ৰহণ কৰি সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে।

**প্ৰতিবেদক ঃ** ৰঞ্জন কুমাৰ দাস

## মিৰ্জাত শিল্পী দিৱস উদযাপন

# জ্যোতিসংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

'গণ সাহিত্য সাংস্কৃতিক মঞ্চ, মিৰ্জা'ৰ সৌজন্যত 'নৰ্থ ইষ্টাৰ্ণ কেন্সাৰ ট্ৰাষ্ট, যোৰাবাট, গুৱাহাটী'ৰ সহযোগিতাত মিৰ্জা আঞ্চলিক দুৰ্গাপূজা মণ্ডপ প্ৰাংগণত যোৱা ১৭ জানুৱাৰী, ২০১৮ত 'শিল্পী দিৱস' অনুষ্ঠিত হৈ যায়। শিল্পী দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মঞ্চৰ সভাপতি আৰু উপ-সভাপতি ক্ৰমে প্ৰফুল্ল দাস আৰু অৰুণ মেধিয়ে। মাল্যদান কৰে ইলোৱা বিজ্ঞান মঞ্চ, দক্ষিণ কামৰূপ শাখাৰ সাধাৰণ সম্পাদক সৰ্বেশ্বৰ দাস আৰু মিৰ্জা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক কমলাকান্ত দাসে। আদৰণী ভাষণ আগবঢ়ায় মঞ্চৰ সম্পাদক মুকুল কুমাৰ দাসে। অনুষ্ঠিত জ্যোতি সংগীত প্ৰতিযোগিতাত (শিক্ষাবিদ প্ৰয়াত মধুৰাম দাস, মিৰ্জা আৰু ধৰ্মপ্ৰাণ মহিলা কুঞ্জলতা ভৰালী, শুৱালকুছিৰ সোঁৱৰণত) 'ক' শাখাত প্ৰথম প্ৰেৰণা শৰ্মা (গোটানগৰ), দ্বিতীয় সাগৰিকা গাৰ্গী (আমিনগাঁও), তৃতীয় (যৌথ) ৰাজন্যা পাল (আমিনগাঁও) আৰু ৰীয়না কুমাৰ (কোকঝাৰ) স্থান লাভ কৰে। প্ৰতিযোগিতাৰ 'খ' শাখাত প্ৰথম বিপাশা কলিতা (কোকঝাৰ), দ্বিতীয় বেদশ্ৰী কলিতা (মাজিৰগাঁও) আৰু তৃতীয় ৰাবী গোস্বামী (বৰতলী) স্থান অধিকাৰ কৰে। 'ক' শাখাৰ বিচাৰকৰ দায়িত্বত আছিল কণ্ঠশিল্পীদ্বয় ভৱানী কুমাৰী আৰু মিনু কলিতা। 'খ' শাখাৰ বিচাৰকৰ আসন অলংকৃত কৰিছিল বিশিষ্ট শিল্পী অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰফুল্ল ভৰালী আৰু বিশিষ্ট লোকশিল্পী পৰেশ চন্দ্ৰ কাকতি। প্ৰতিযোগিতাখনি উদ্বোধন কৰে বিশিষ্ট চিকিৎসক সমাজকৰ্মী ডাঃ গিৰীশ বৰুৱাই।

প্ৰতিযোগিতাৰ আঁত ধৰে বলেন্দ্ৰ চন্দ্ৰ কুমাৰে। নিমন্ত্ৰিত শিল্পীৰ গীত-মাতৰ লগতে গোলাপ ভৰালী আৰউ কল্পনা কুমাৰী দাসে জ্যোতিৰ কবিতা আবৃত্তি কৰে। বাসুদেৱ শৰ্মাৰ শলাগৰ শৰাইৰে দিৱসৰ কাৰ্যসূচীৰ সফল সামৰণি হয়।

**প্ৰতিবেদক ঃ** মুকুল কুমাৰ দাস

ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)-ৰ অসম ৰাজ্যিক কমিটিৰ হৈ হেমেন দাসৰ দ্বাৰা গণশক্তি প্ৰকাশন, পি ডি চলিহা পথ, হেদায়েৎপুৰ, গুৱাহাটী-৩ ত মুদ্ৰিত আৰু অচিন্ত্য-নন্দেশ্বৰ ভৱন, গুৱাহাটী - ৩ ৰ পৰা প্ৰকাশিত
সম্পাদকীয় কাৰ্যালয় ঃ হেদায়েৎপুৰ, গুৱাহাটী-৩ ফোন ঃ ২৬৬৫৬৩৬, ২৬৬৩১৮৩ ফেক্স ঃ (০৩৬১) ২৬৬০৭৩১ E-mail : ganasakti71@gmail.com, মেনেজাৰিয়েল কাৰ্যালয় ঃ হেদায়েৎপুৰ, গুৱাহাটী-৩ সম্পাদক ঃ সুপ্ৰকাশ তালুকদাৰ